আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com

# e সংবাদ

SATURDAY, DECEMBER 30, 2023>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।।প্ৰথম বছৰ, ৫ম সংখ্যা Guwahati, Assam ।। মূল্যঃ এটকা

## পৰেশ বৰুৱাই ক’লে, ‘ক্ষোভিত নহয়, মই লজ্জিত!’

# চুক্তিৰ পিছতে আলফাত মেলিল ফাট

■ ষ্টাফ ৰিপ’ৰ্টাৰ, ৩০ ডিচেম্বৰ

তুঁহৰ জুই উমি উমি জ্বলিছে নেকি? আলফাৰ আলোচনাপন্থী গোটে দিল্লীত চুক্তি স্বাক্ষৰ কৰাৰ পাছতে বিভিন্ন ব্যক্তিয়ে প্ৰতিক্ৰিয়া প্ৰকাশৰ লগতে আলফাৰ ভিতৰচ’ৰাতো ক্ষোভৰ বহিঃপ্ৰকাশ ঘটা পৰিলক্ষিত হৈছে। আলোচনাপন্থী গোটটোৰ মাজত বিসম্বাদ বা বিভাজন হৈছে নেকি তাকে লৈ ব্যাপক চৰ্চা আৰম্ভ হৈছে। স্বাক্ষৰবিহীন এখন আলফাৰ পেডত দিয়া বিবৃতিয়ে ক্ষোভৰ বহিঃপ্ৰকাশ, বিসম্বাদ বা বিভাজন ঘটাৰ কথাৰে ইংগিত দিছে। স্বাক্ষৰবিহীন আলফাৰ এখন পেডত এক বিস্ফোৰক বিবৃতি প্ৰদান কৰি আলফাই দিল্লীত কৰা চুক্তিৰ তীব্ৰ বিৰোধ কৰাৰ লগতে চুক্তিক নস্যাৎ কৰে। নতুন দিল্লীত স্বাক্ষৰিত ত্ৰিপাক্ষিক শান্তি চুক্তিক লৈ কেইবাটাও প্ৰশ্ন কৰা হৈছে। এই বিবৃতিত শান্তি চুক্তিক নিন্দা কৰি বিদ্ৰোহী সংগঠনটোক জীয়াই ৰখাৰ প্ৰতিশ্ৰুতি দিয়াত ৰাজ্যত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। কিয়নো ২৯ ডিচেম্বৰত চুক্তি স্বাক্ষৰ কৰি নতুন দিল্লীত এখন সংবাদমেল সম্বোধন কৰি আলফা নেতৃত্বই এমাহৰ ভিতৰত আলফাক ভংগ কৰাৰ কথা ঘোষণা কৰিছিল। কিন্তু এই ঘোষণাৰ ৭ ঘণ্টা পাৰ হোৱাৰ পাছতে কলিয়াবৰত এখন গোপন বৈঠকত মিলিত হয় কেডাৰসকল।

■ শেষাংশ ২নং পৃষ্ঠাত

## আমাক এইবাৰ লাগে কৰ্ম বিপ্লৱ



■ ড০ দীনেশ বৈশ্য

**অসমৰ পৰা** কিছুমান ডেকা ল’ৰা, যুৱক-যুৱতী অৰণ্যলৈ গুছি গৈছিল। যুদ্ধ কৰিবলৈ, স্বাধীনতা বিচাৰিছিল। তেওঁলোকে ভাৰত ৰাষ্ট্ৰৰ সৈতে নাথাকে। তেওঁলোকক স্বাধীন অসম লাগে। এই স্বাধীনতাৰ যুদ্ধ সত্তৰৰ দশকৰ পৰা আজিলৈকে চলি আছে। সময়ে সময়ে কিছুমান তাৰ পৰা গুছি আহিল। তেওঁলোকে নোৱাৰিলে। যুদ্ধত টিকি থাকিব নোৱাৰিলে। তেওঁলোকে গুছি আহিল। এই গুছি অহা সকলৰ একাংশই বিভিন্ন বেপাৰ বাণিজ্য কৰি থাকি গ’ল। আন একাংশই আলোচনা কৰিবলৈ আহিল। সম্প্ৰতি আলোচনাপন্থী আলফাৰ সভাপতিকে ধৰি ভালেমান নেতৃস্থানীয় আলফাই দিল্লীলৈ গৈ ভাৰত চৰকাৰৰ সৈতে এখন চুক্তি স্বাক্ষৰ কৰিলে। এই চুক্তিক লৈ অসমৰ চুকে-কোণে বিভিন্ন ধৰণৰ প্ৰতিক্ৰিয়া চলিছে।

■ শেষাংশ ৩নং পৃষ্ঠাত

## এপ’লক মিছা মাতিবলৈ হেঁচা মোদীৰ!

নতুন দিল্লী, ৩০ ডিচেম্বৰঃ চলিত বৰ্ষৰ ৩১ অক্টোবৰৰ পুৱা ৯.৩০ বজাত তৃণমূল কংগ্ৰেছৰ সাংসদ মহুৱা মৈত্ৰাই নিজৰ আইফোনত এপলৰ তৰফৰ পৰা 'ৱাৰ্ণিং মেছেজ’ লাভ কৰা বুলি এটি টুইট কৰিছিল। সাংসদগৰাকীয়ে টুইটটোত জনোৱা মতে এপলে তেওঁৰ ফোনটো 'ষ্টেট স্পনছৰড’ হেকাৰে হেক কৰিবলৈ চেষ্টা চলাইছে বুলি সতৰ্কবাণী প্ৰেৰণ কৰিছিল। মহুৱাৰ লগতে শিৱসেনাৰ উদ্ধৱ থাকৰে গোটৰ সাংসদ প্ৰিয়ংকা চতুৰ্বেদী, কংগ্ৰেছ নেতা শশী থাৰুৰসহ কেবাগৰাকী বিৰোধী সাংসদ আৰু দুই-এগৰাকী সাংবাদিকেও এপলৰ তৰফৰ পৰা সতৰ্কবাণী লাভ কৰা বুলি জনাইছিল।

■ শেষাংশ ৪নং পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# চুক্তিৰ পিছতে আলফাত মেলিল ফাট

কেডাৰসকলৰ এক বিবৃতি পোহৰলৈ আহিছে৷ এই বিবৃতি সংগঠনটোৰ কোন নেতাই ক'ৰ পৰা সংবাদমাধ্যমৰ লোকক হাতত তুলি দিলে সেই কথা এই পৰ্যন্ত পোহৰলৈ অহা নাই৷ চুক্তি স্বাক্ষৰকাৰী নেতা অনুপ চেতিয়াই পত্ৰখন ভুৱা বুলি দাবী কৰিছে। পত্ৰখন যোগে স্বাক্ষৰিত শান্তি চুক্তিক কেৱল 'চেতিয়া-ৰাজখোৱা-চৌধুৰী-হাজৰিকা আৰু ভাৰত দেশৰ মাজত অৰ্থনৈতিক বুজাবুজি' সন্ধিপত্ৰ বুলি কোৱা হৈছে৷ পত্ৰখনত উল্লেখ কৰা মতে, আলফা কেডাৰে সংগঠনটোক জীয়াই ৰখাৰ সিদ্ধান্ত লৈছে। আলফা নেতাসকলে আলোচনাপন্থী গোটৰ সাধাৰণ সদস্যসকলৰ সৈতে আলোচনা নকৰাকৈ শান্তি চুক্তিত স্বাক্ষৰ কৰা বুলিও গুৰুতৰ অভিযোগ উত্থাপন কৰে। এই সন্দৰ্ভত অনুপ চেতিয়াই কয় 'মই নিশ্চিতভাৱে ক'ব পাৰোঁ যে এই পত্ৰখন ভুৱা। এইটো সম্ভৱতঃ আন কোনো সংগঠনে বিতৰ্কৰ সৃষ্টি কৰিবলৈ প্ৰচাৰ কৰিছে। যিহেতু পত্ৰখনত কোনো স্বাক্ষৰ নাই৷ এই পত্ৰখন গুৰুত্বসহকাৰে ল'ব পৰাৰ কোনো প্ৰমাণ নাই। সংগঠনটোৰ ভিতৰচ'ৰাত কোনো মতভেদ নাই বুলি দাবী কৰি চেতিয়াই কয় যে আমাৰ মাজত কোনো বিতৰ্ক বা বিবাদ নাই। বিতৰ্কিত পত্ৰখনত কোৱা হৈছে যে কিছু আলফা সদস্যই আশা কৰিছিল যে শান্তি চুক্তিত অসমৰ বাবে পৃথক সংবিধান, ৰাজ্যৰ বাবে পৃথক মুদ্ৰা, অসমৰ জনসাধাৰণৰ বাবে নিজকে শাসন কৰাৰ বাবে এক পৃথক ৰাজনৈতিক ব্যৱস্থা অন্তৰ্ভুক্ত থাকিব। অৱশ্যে চুক্তিখনত এই বিষয়বোৰৰ কোনোটোৱেই নাই। ৪৪ বছৰীয়া সশস্ত্ৰ সংগ্ৰাম আৰু ১৪ হাজাৰতকৈ অধিক অসমীয়া ডেকাই প্ৰাণ দিয়াৰ অন্তত আলফাই ত্ৰিপাক্ষিক চুক্তি স্বাক্ষৰ কৰিছে৷ এই চুক্তিৰ প্ৰস্তাৱসমূহ প্ৰত্যক্ষ কৰি ৰাজ্যত প্ৰতিক্ৰিয়া অব্যাহত থকাৰ মাজতে এই বিবৃতিয়ে আলোচনাপন্থী আলফাৰ মাজত বিভাজনৰ সৃষ্টি হোৱাৰ উমান পোৱা গৈছে৷ 'চেতিয়া-ৰাজখোৱা মানেই আলফা নহয়৷ চেতিয়া-ৰাজখোৱা-চৌধুৰী-হাজৰিকা আৰু ভাৰত ৰাষ্ট্ৰৰ মাজত হোৱা অৰ্থনৈতিক বুজা-বুজি সন্ধিপত্ৰহে৷' আলোচনাপন্থী আলফাৰ গৰিষ্ঠ সংখ্যক সেনানীয়ে এই সন্ধিপত্ৰৰ বিষয়সমূহত কোনো কাৰণতেই সুখানুভৱ কৰিব নোৱাৰোঁ বুলিও উল্লেখ কৰি সংযুক্ত মুক্তি বাহিনী, অসম সংগঠনক জীয়াই ৰাখিবলৈও সংকল্প গ্ৰহণ কৰা বুলি কোৱা হৈছে৷ বিবৃতিক কোৱা হৈছে যে কালি, সংযুক্ত মুক্তি বাহিনী, অসম আৰু ভাৰত-অসম চৰকাৰৰ মাজত হোৱা অৰ্থনৈতিক ত্ৰিপাক্ষীক চুক্তিৰ ওপৰত দৃষ্টিৰাখি আমি সংযুক্ত মুক্তি বাহিনী, অসমৰ সংগ্ৰামী সেনানীসকলে কলিয়াবৰত এখন গোপন বৈঠকত মিলিত হওঁ। উক্ত বৈঠকত এই সন্ধিপত্ৰক আমি সংযুক্ত মুক্তি বাহিনী, অসমৰ সেনানী সকলে 'আলফা-চৰকাৰ'ৰ চুক্তি বুলি বিবেচনা কৰাৰ বিপৰীতে এয়া কেৱল 'চেতিয়া-ৰাজখোৱা-চৌধুৰী-হাজৰিকা আৰু ভাৰত ৰাষ্ট্ৰৰ মাজত হোৱা অৰ্থনৈতিক বুজা-বুজি সন্ধিপত্ৰ' বুলিহে অভিহিত কৰিছো আৰু এই সন্ধিপত্ৰক আমি কোনো কাৰণতেই মান্যতা প্ৰদান কৰিব নোৱাৰো। একেটা বিবৃতিত আৰু কয় 'মন কৰিব, চেতিয়া-ৰাজখোৱা মানেই সংযুক্ত মুক্তি বাহিনী, অসম নহয়। তেওঁলোকে কৰা সন্ধিপত্ৰৰ বিষয়সমূহত আমি কোনো কাৰণতেই সুখানুভৱ কৰিব কৰিব নোৱাৰোঁ বুলিও উল্লেখ কৰি সংযুক্ত মুক্তি বাহিনী, অসম সংগঠনক জীয়াই ৰাখিবলৈও সংকল্প গ্ৰহণ কৰা বুলি কোৱা হৈছে৷ বিবৃতিক কোৱা হৈছে যে কালি, সংযুক্ত মুক্তি বাহিনী, অসম আৰু ভাৰত-অসম চৰকাৰৰ মাজত হোৱা অৰ্থনৈতিক ত্ৰিপাক্ষিক চুক্তিৰ ওপৰত দৃষ্টিৰাখি আমি সংযুক্ত মুক্তি বাহিনী, অসমৰ সংগ্ৰামী সেনানীসকলে কলিয়াবৰত এখন গোপন বৈঠকত মিলিত হওঁ। উক্ত বৈঠকত এই সন্ধিপত্ৰক আমি সংযুক্ত মুক্তি বাহিনী, অসমৰ সেনানী সকলে 'আলফা-চৰকাৰ'ৰ চুক্তি বুলি বিবেচনা কৰাৰ বিপৰীতে এয়া কেৱল 'চেতিয়া-ৰাজখোৱা-চৌধুৰী-হাজৰিকা আৰু ভাৰত ৰাষ্ট্ৰৰ মাজত হোৱা অৰ্থনৈতিক বুজা-বুজি সন্ধিপত্ৰ' বুলিহে অভিহিত কৰিছো আৰু এই সন্ধিপত্ৰক আমি কোনো কাৰণতেই মান্যতা প্ৰদান কৰিব নোৱাৰো। একেটা বিবৃতিত আৰু কয় 'মন কৰিব, চেতিয়া-ৰাজখোৱা মানেই সংযুক্ত মুক্তি বাহিনী, অসম নহয়। তেওঁলোকে কৰা সন্ধিপত্ৰৰ বিষয়সমূহত আমি কোনো কাৰণতেই সুখানুভৱ কৰিব নোৱাৰো। সেয়েহে, আমি গৰিষ্ঠসংখ্যক সেনানীয়ে তেওঁলোকক বাদ দি 'সংযুক্ত মুক্তি বাহিনী, অসম' সংগঠনক জীয়াই ৰাখিবলৈ সংকল্প লৈছো। কিয়নো, যদিও আমি সাৰ্বভৌম স্বাধীন অসমৰ বাবে সংগ্ৰাম কৰিছিলো, কিন্তু শীৰ্ষ নেতৃত্বৰ প্ৰৰোচনাত এদিন আমি ৰাষ্ট্ৰ ব্যৱস্থাটোৰ জালত বন্দী হৈ পৰাত সাৰ্বভৌম স্বাধীন অসমৰ বিকল্প সন্ধান কৰিবলৈ বাধ্য হৈ পৰিলো। আনহাতে কেন্দ্ৰীয় নেতৃত্বই সংগঠনৰ সাধাৰণ সদস্যসকলৰ সৈতে কোনোধৰণৰ আলোচনা নকৰাকৈ সন্ধি কৰিবলৈ ওলাল, তথাপিও আমি আশা কৰিছিলো সাৰ্বভৌম স্বাধীন অসমৰ বিকল্প হিচাপে নিম্নোল্লিখিত বিষয়সমূহে স্থান লভ কৰিব৷ (ক) এক ৰাষ্ট্ৰ দুই ব্যৱস্থাৰে অসমক পূৰ্ণাংগৰূপে স্বায়ত্ব-শাসিক প্ৰদেশ হিচাপে প্ৰতিষ্ঠা কৰা। য'ত অসমে পৃথক সংবিধান (কেৱল আন্তঃৰাষ্ট্ৰীয় সীমাৰ ক্ষেত্ৰত ভাৰতীয় সংবিধান আৰু আইন আংশিকভাৱে প্ৰযোজ্য হ'ব) পতাকা আৰু আইনেৰে তাৰ সুকীয়া পৰিচয় দাঙি ধৰিব। (খ) অসমৰ বাবে পৃথক ৰাজনৈতিক ব্যৱস্থা প্ৰচলন কৰা। যি ব্যৱস্থাই অসমৰ জনগণক নিজে নিজক শাসন কৰাৰ সুবিধা প্ৰদান কৰিব। (গ) অসমৰ বাবে পৃথক মুদ্ৰা প্ৰচলনেৰে পৃথক অৰ্থনৈতিক ব্যৱস্থা প্ৰচলন কৰা। (ঘ) অসমৰ মাটি, পানী আৰু বায়ুৰ ওপৰত অসমৰ অধিকাৰ প্ৰতিষ্ঠা কৰা। ইয়াৰ দ্বাৰা অসমৰ ভূ-গৰ্ভস্থ, বৰ্হিভাগত অৱস্থিত সম্পদৰ ওপৰত অসমৰ কৰ্তৃত্ব থাকিব। (ঙ) অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক, সামাজিক আৰু ধৰ্মীয় পৰিচয়ক সুৰক্ষা প্ৰদান কৰা। কিন্তু, চেতিয়া-ৰাজখোৱা আৰু ভাৰত ৰাষ্ট্ৰৰ মাজত সম্পন্ন হোৱা সন্ধিপত্ৰত উল্লিখিত বিষয়সমূহে কোনো স্থান নাপালে। তেওঁলোকে কেৱল কেইটামান টকাৰ বিনিময়ত আমাৰ হাজাৰ হাজাৰ সতীৰ্থ ত্যাগক বিক্ৰী কৰিলে। এইখিনি টকাৰ বাবে আমি প্ৰত্যেকেই আমাৰ জীৱন-যৌৱনবোৰ জলাঞ্জলি দিয়া নাছিল। অহা কিছুদিনৰ ভিতৰত হয়তো অৰবিন্দ ৰাজখোৱাই তেওঁৰ অনুগামীসকলৰ গোটটো ভংগ কৰাৰ আনুষ্ঠানিক প্ৰক্ৰিয়া আৰম্ভ কৰিব। তেওঁৰ সেই আলফা গোটৰ বাহিৰত আমি গৰিষ্ঠসংখ্যকে অৱস্থান গ্ৰহণ কৰিবলৈ বাধ্য হৈছো। শেষত, আমাৰ পৰৱৰ্তী কাৰ্যসূচীৰ বিষয়ে আপোনাৰ মাধ্যমৰ যোগেদি অসমৰ খিলঞ্জীয়া জনগণক অৱগত কৰা হ'ব বুলি কোৱা হয় এই বিবৃতিত। উল্লেখ্য যে, এই চুক্তিক সমৰ্থন কৰা নাই পৰেশ বৰুৱাৰ নেতৃত্বৰ আলফা স্বাধীন গোটে৷ বৰুৱাই চুক্তি সন্দৰ্ভত কয়, "আমি যেতিয়া আলোচনাৰ উদ্যোগ লৈছিলো, তেতিয়া অসমৰ গণ্যমান্য ব্যক্তিসকলে উদ্যোগ লৈছিল। কিন্তু এতিয়া নীতি-আদৰ্শ বাদ দিয়া হৈছে। নীতি-আদৰ্শ পৰিত্যাগ কৰা লোকে ৰাজনৈতিক সমাধান উলিয়াব নোৱাৰে। এই চুক্তিক লৈ আমি ক্ষোভিত নহয়, লজ্জিত হৈছো।"

প্ৰথম পৃষ্ঠাৰ পৰা...

# আমাক এইবাৰ লাগে কৰ্ম বিপ্লৱ

বহুতে কৈছে এয়া কি চুক্তি৷ এইবিলাক কৰিবলৈ তেওঁলোকে ইমান দিনে যুদ্ধ কৰিছিল নেকি৷ ইমান মানুহৰ মৃত্যু হ'ল৷ হয়, তেওঁলোকে স্বাধীনতা দাবী কৰিছিল৷ কিন্তু স্বাধীনতাৰ দাবীৰ সলনি যিখিন বস্তু পালে, অসমৰ মানুহক চুক্তি কৰি যিখিন দিলে সেইখিনি চুক্তি কৰি পাবলগীয়া বস্তু নহয়৷ চুক্তি নকৰাকৈ এইবোৰ কাম কৰিব পাৰি৷ এইবোৰ পাব পাৰি৷ মুখ্যমন্ত্ৰী এগৰাকীয়ে এইবোৰ আদায় কৰিব পাৰে৷ কিন্তু প্ৰশ্ন হ'ল এইখন চুক্তিতে আলফাসকলে কিয় স্বাক্ষৰ কৰিলে৷ আমি এটা কথা বুজা উচিত যে এওঁলোকৰ হাতত একো নাছিল৷ দাবী কৰিব পৰাকৈ, বাৰ্গেনিং কৰিব পৰাকৈ এওঁলোকৰ হাতত একো নাছিল৷ একপ্ৰকাৰে তেওঁলোকে পৰাজয়বৰণ কৰিছে৷ একপ্ৰকাৰে তেওঁলোকে আত্মসমৰ্পণ কৰিছে৷ তেওঁলোকে যুদ্ধৰ পৰা ঘূৰি আহিছে৷ তেওঁলোকে আজিৰ তাৰিখত বন্দুক লৈ থকা নাই৷ তেওঁলোক ঘূৰি অহাৰ পাছতে মই ব্যক্তিগতভাৱে যি নাগৰিক সন্মিলন হৈছিল, সেই নাগৰিক সন্মিলনত জড়িত আছিলো৷ কেৱল সেইটোৱে নহয়৷ তেওঁলোকৰ দাবী-দুবা সম্পৰ্কীয় কথাবোৰ লিখি উলিয়াবলৈ যি এখন সমিতি গঠন কৰা হৈছিল সেই সমিতিত মই কাম কৰিছিলো আৰু নিজাববীয়াকৈ কিছুমান প্ৰস্তাৱ দিছিলো৷ এয়া বহু ডাঙৰ কথা৷ অসমৰ বহু জনা-শুনা বিশিষ্ট লোক, পণ্ডিত লোকে এই কাম কৰিছিল৷ সেয়া এক বিৰাট দাবী আছিল৷ বিভিন্ন দাবী আছিল৷ সেই দাবী তেওঁলোকে কেতিয়া, ক'ত ছাবমিট কৰিছিল সেই কথা আমি নাজানো৷ বহু বছৰৰ মূৰত সেই দাবীবোৰ পাহৰিয়েই গ'ল চাগে৷ এইদাবী পত্ৰত কি কি আছিল সেই কথা পাহৰি যোৱাৰ বহু বছৰৰ অন্তত কালি এই চুক্তি হ'ল৷ আৰু চুক্তিত যিবোৰ বস্তু দিয়া হ'ল, তাক লৈ অসমৰ মানুহ সন্তুষ্ট নহয়৷ বহুতে হয়তো আলফা নেতৃত্বক বেয়াকৈ কৈছে৷ গালি পাৰিছে৷ দোষাৰোপ কৰিছে৷ কিন্তু আমি এটা কথা ভাবি চোৱা উচিত৷ আমি যিসকলে ইয়াতে থাকি আলফাক গালি পাৰিছো, আমি যিসকলে আলফাক দোষাৰোপ কৰিছো, আমি কিন্তু তেওঁলোকৰ সেই কষ্টসাধ্য জীৱনটোৰ অভিজ্ঞতা পোৱা নাই৷ সেই জীৱন, সেই কষ্ট, সেই যুদ্ধ, বৰ সহজ নহয়৷ তেওঁলোকে পৰা নাই, গুচি আহিছে৷ তেওঁলোক বিদেশলৈ গৈ চুক্তি কৰা মানুহো নহয়৷ তেওঁলোকে দেশৰ ভিতৰতে থাকি চুক্তি কৰিছে৷ তেওঁলোকে মুক্তি বিচাৰিছে৷ আমি দেখিছো একাংশ নেতৃস্থানীয় নহয়, সাধাৰণ আলফা সৈনিকে অধৈৰ্য জীৱন-যাপন কৰি আছে৷ তেওঁলোক অসহায় হৈ আছে৷ প্ৰায় সকলৰ ওপৰত বিভিন্ন ধৰণৰ কেচ আছে৷ সেই কেচৰ তেওঁলোকে মুখামুখি হ'ব নোখোজে৷ তেওঁলোকে বহুতেই তাৰ পৰাই মুক্তি বিচাৰিছে৷ তেওঁলোকে কি পায় কি নাপায় সেইটো ডাঙৰ কথা নহয়৷ আদালতৰ কেচবিলাকৰ পৰা মুক্তি বিচাৰিছে৷ মোৰ ব্যক্তিগতভাৱে একাংশৰ সৈতে সম্পৰ্ক আছে৷ মই তেওঁলোকৰ সৈতে কথা-বতৰা পাতিছো৷ কৃষি বিপ্লৱ কৰিবলৈ প্ৰয়াস কৰিছে৷ বিশেষকৈ অনুপ চেতিয়াকে ধৰি বিভিন্নজনে অন্য একো কাম নকৰি কেৱল খেতি কৰিবলৈ আৰম্ভ কৰিছে৷ মই জানো কাবেৰী কছাৰী কোঁৱৰক। তেওঁ একালত নিজেই আলফাৰ নেতৃত্বত আছিল৷ তেওঁ উইভিং বা তেনে আন আন কাম কাজত ব্যস্ত হৈ আছে। এইটো এটা জাতীয় কৰ্ম হিচাপে লৈছে৷ তেওঁলোকে যি পালে বা নাপালে সেইবোৰ অন্য এটা কথা৷ চুক্তিত যিবোৰ আছে সেইবোৰে অসমৰ মানুহৰ কিবা লাভ কৰিব, নকৰিব সেইটো বেলেগ কথা৷ কথা হ'ল তেওঁলোকে কিবা এটা কৰিছে৷ প্ৰথম কথাটোৱে হ'ল যে তেওঁলোকৰ ওপৰত যি অপৰাধৰ অভিযোগ আছিল সেই অপৰাধৰ অভিযোগৰ পৰা মুক্ত হ'ল নে নাই৷ মই যিহেতু একাংশ নেতাৰ মুখৰ পৰা মই শুনিছিলো৷ আলফাত মোৰ কেইবাজনো প্ৰিয় ছাত্ৰ আলফাত আছিল বা আছে৷ তেওঁলোক ঘূৰি আহিছে৷ আলফাত যথেষ্ট বুদ্ধিদীপ্ত লোক আছে৷ তেওঁলোকৰ সৈতে কথা পাতিলে গম পাও তেওঁলোকে দেশ-বিদেশৰ কথা জানে৷ বহু ৰাজনৈতিক, বহু অৰ্থনৈতিক, বহু কূটনৈতিক কথা জানে৷ মই সেইকাৰণে তেওঁলোক অনুৰোধ জনাইছো৷ তেওঁলোকৰ একাংশই বাংলাদেশত বহু বছৰ আছিল৷ বাংলাদেশৰ অৰ্থনীতি, বাংলাদেশৰ ৰাজনীতি, বাংলাদেশৰ সমাজ-সংস্কৃতিৰ কথা জানে৷ আজিৰ তাৰিখত বাংলাদেশ এখন উন্নত দেশ৷ তেওঁলোকৰ অৰ্থনৈতিক উন্নতি সাংঘাতিক ধৰণৰ৷ জিডিপি বৃদ্ধি হৈছে৷ বেপাৰ-বাণিজ্য নিয়মিত হৈছে৷ বাংলাদেশৰ বহু উৎপাদিত সামগ্ৰী পৃথিৱীৰ বহু ঠাইত বিক্ৰী হয়৷ মই বিচাৰো যিসকলে বাংলাদেশত আছিল, অন্য অন্য দেশত আছিল আৰু অৰ্থনৈতিক কাৰ্যকলাপ লক্ষ্য কৰিছিল, কৃষিকাৰ্য লক্ষ্য কৰিছিল সেই বিলাকৰ আৰ্হিত আমাৰ ইয়াতে এটা তেনে ধৰণে কাৰ্যসূচী আৰম্ভ কৰক৷ এইসকলৰ জাতীয় চেতনা আছে৷ চিন্তা শক্তি শান্তিপূৰ্ণ কাৰ্যক্ৰমত ব্যৱহাৰ কৰক৷ অসমত বিশেষকৈ কৃষি বিপ্লৱ আনিবলৈ৷ যিসকল অসমীয়া যুৱক-যুৱতী হাজিৰা কৰিবলৈ, চকীদাৰ, পিয়ন হ'বলৈ অসমৰ বাহিৰলৈ কামৰ বাবে গৈছে তেওঁলোকক উভতাই আনি কাম আৰম্ভ কৰক৷ অসমত এটা কৃষি বিপ্লৱ আৰম্ভ হওক৷ উদ্যোগ বিপ্লৱ আৰম্ভ হওক৷ অসমত এই ধৰণৰ কৰ্ম বিপ্লৱ আৰম্ভ হওক৷ চৰকাৰে ইয়াত সহায় কৰক বা নকৰক, এই বিল্পৱ যদি আৰম্ভ হয়, এই কথাটোতে আমি সন্তুষ্ট হ'ম৷

প্ৰথম পৃষ্ঠাৰ পৰা...

# আইফোন নিৰ্মাতা এপ'লক হেঁচা মোদীৰ!

সেই সময়ত চৰকাৰে 'ষ্টেট স্পনছৰড' হেকিঙৰ অভিযোগ পোনছাটেই অস্বীকাৰ কৰিছিল আৰু কৈছিল যে 'এপলৰ এই সতৰ্কবাণীৰ আঁৰৰ কাৰণ জানিবলৈকে সমগ্ৰ বিষয়টো সন্দৰ্ভত তদন্ত কৰা হ'ব'। উক্ত ঘটনাৰ প্ৰায় দুমাহ পিছত যোৱা ২৮ ডিচেম্বৰত আমেৰিকাৰ আগশাৰীৰ দৈনিক 'ৱাশ্বিংটন পোষ্ট'ত এমনেষ্টি ইণ্টাৰনেশ্যনেল ছিকিউৰিটি লেবৰ উৰ্ধ্বতিৰে এক বিস্তৃত প্ৰতিবেদন প্ৰকাশ পাইছে। এই প্ৰতিবেদনত প্ৰকাশ পোৱা মতে যিদিনাই বিৰোধী সাংসদ আৰু একাংশ সাংবাদিকলৈ এপলে উক্ত সতৰ্কবাণী প্ৰেৰণ কৰিছিল তাৰ ঠিক এদিন পিছতে নৰেন্দ্ৰ মোদী চৰকাৰে এপ'লৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ তৎপৰ হৈ পৰিছিল। এপ'ল ইণ্ডিয়াৰ শীৰ্ষ বিষয়াসকলৰ ওপৰত কেন্দ্ৰ চৰকাৰে উক্ত সতৰ্কবাণী এপলৰ কাৰিকৰী বিসংগতি আছিল বুলি ক'বলৈ হেঁচা প্ৰয়োগ কৰাৰ কথাও মাৰ্কিন কাকতখনৰ প্ৰতিবেদনত প্ৰকাশ পাইছে। যদিহে কাৰিকৰী বিসংগতি বুলি পোনপটীয়াকৈ কোৱাত সমস্যা আছে তেন্তে তেনেধৰণৰ আন কোনো বিকল্প বিবৃতি দিবলৈকো চৰকাৰী বিষয়াসকলে এপল ইণ্ডিয়াক আহ্বান জনাইছিল। ৱাশ্বিংটন পোষ্টৰ এই প্ৰতিবেদনক কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰাজীৱ চন্দ্ৰশেখৰে সম্পূৰ্ণৰূপে ভিত্তিহীন আখ্যা দিয়াৰ লগতে এয়া 'অৰ্ধসত্য তথ্য আধাৰিত আৰু মনেসজা কাহিনী বুলি মন্তব্য কৰিছে। উল্লেখ্য যে বিৰোধী সাংসদসকলে যেতিয়া এপলৰ উক্ত নটিফিকেশ্যনৰ স্ক্ৰীণশ্বট শ্বেয়াৰ কৰিবলৈ আৰম্ভ কৰিছিল তেতিয়া বিজেপিৰ কেবাগৰাকী নেতাই দাবী কৰি কৈছিল যে উক্ত নটিফিকেশ্যন প্ৰকৃততে এপলৰ ইণ্টাৰনেল থ্ৰেট এলগৰিথাম আৰু সেয়া ভুলতে গ্ৰাহকৰ ফোনলৈ প্ৰেৰিত হৈছিল। ইয়াৰ বিপৰীতে ৱাশ্বিংটন পোষ্টত প্ৰকাশিত প্ৰতিবেদনত প্ৰকাশ পাইছে একাধিক বিস্ফোৰক তথ্য। ৱাশ্বিংটন পোষ্টৰ প্ৰতিবেদনত কোৱা হৈছে যে মোদী চৰকাৰৰ কেবাগৰাকী শীৰ্ষ বিষয়াই এপলৰ ভাৰতীয় কৰ্তৃপক্ষক নিজ কাৰ্যালয়লৈ মাতি নি 'এপলৰ সতৰ্কবাণীক লৈ আৰম্ভ হোৱা ৰাজনৈতিক বিতৰ্কৰ শাম কটোৱাত' সহায় কৰিবলৈ হেঁচা প্ৰয়োগ কৰিছিল। কেৱল এয়াই নহয়, ভাৰত চৰকাৰে এপলৰ দেশৰ বাহিৰত থকা এগৰাকী জ্যেষ্ঠ সুৰক্ষা বিশেষজ্ঞকো মাতি আনিছিল আৰু উক্ত নটিফিকেশ্যন সন্দৰ্ভত এপলক কৌশলী বিবৃতি দিবলৈ চাপ সৃষ্টি কৰিছিল। নাম প্ৰকাশ নকৰাৰ চৰ্তত এপলৰ আমেৰিকাস্থিত তিনিগৰাকী শীৰ্ষ বিষয়াৰ উৰ্ধ্বতিৰে এই প্ৰতিবেদন প্ৰকাশ কৰিছে আগশাৰীৰ মাৰ্কিন কাকতখনে। তিনিগৰাকী ব্যক্তিৰ এগৰাকীয়ে কাকতখনৰ সাংবাদিকক জনোৱা মতে এপলৰ নটিফিকেশ্যনক লৈ চৰকাৰী বিষয়াসকল যথেষ্ট ক্ষুব্ধ হৈ আছিল। বাতৰিটোত আৰু কোৱা হৈছে যে ভাৰত চৰকাৰৰ অত্যাধিক হেঁচা সত্বেও এপলৰ বিদেশী সুৰক্ষা বিশেষজ্ঞগৰাকীয়ে ৱাৰ্ণিং মেছেজক লৈ নিজৰ স্থিতি অতি দৃঢ়তাৰে অটল হৈ আছিল। কিন্তু যিদৰে ভাৰত চৰকাৰে এপলৰ বিশ্বাসযোগ্যতাক দুৰ্বল কৰিবলৈ চেষ্টা চলাইছিল আৰু চৰকাৰৰ তৰফৰ পৰা যিধৰণৰ হেঁচা প্ৰয়োগ কৰা হৈছিল তাৰ প্ৰভাৱে সাত সাগৰ তেৰ নদীৰ সিপাৰৰ কেলিফৰ্ণিয়াৰ কুপাৰটিনোস্থিত এপলৰ মুখ্য কাৰ্যালয়ত বহি থকা মুৰব্বীসকলকো জোকাৰি গৈছিল। এই সমগ্ৰ ঘটনাক্ৰমে এটা বিষয় স্পষ্ট কৰি তুলিছে যে বিশ্বৰ সৰ্ববৃহৎ টেক কোম্পানীটোৱেও ভাৰতৰ বৰ্তমানৰ চৰকাৰৰ চাপৰ সন্মুখীন হৈ দোধোৰ-মোধোৰত পৰিবলগীয়া হৈছে। কিয়নো কোম্পানীটোৰ সমুখত এফালে আছিল নিজৰ বিশ্বাসযোগ্যতাৰ স্থিতিত অটল হৈ থকাৰ প্ৰশ্ন আৰু আনফালে আছিল অনাগত দিনত এপলৰ বৃহৎ বজাৰ হৈ পৰিবলগীয়া ভাৰতৰ দৰে এখন জনবহুল দেশৰ চৰকাৰৰ তীব্ৰ হেঁচা। কেন্দ্ৰীয় তথ্য-প্ৰযুক্তি মন্ত্ৰণালয়ৰ ৰাজ্যিক মন্ত্ৰী ৰাজীৱ চন্দ্ৰশেখৰে ৱাশ্বিংটন পোষ্টৰ এই প্ৰতিবেদন সন্দৰ্ভত ছ'চিয়েল মিডিয়াযোগে নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। এই পোষ্টটোত মন্ত্ৰীগৰাকীয়ে উক্ত প্ৰতিবেদনক সম্পূৰ্ণৰূপে ভিত্তিহীন বুলি দাবী কৰা দেখা গৈছে। বৰ্তমানো নটিফিকেশ্যনক লৈ তদন্ত অব্যাহত আছে বুলি উল্লেখ কৰি তেওঁ পোষ্টটোত লিখিছে, 'ৱাশ্বিংটন পোষ্টৰ সাধুকথাৰ দৰে বাতৰিক লৈ স্পষ্টীকৰণ দিয়াতো বিৰক্তিদায়ক হৈ পৰে, কিন্তু কোনো নহয় কোনো এজনে সত্যটো ক'বই লাগিব। এয়া হৈছে অৰ্ধসত্য আৰু গোটেই বাতৰিটোৱে মনেসজা।' ৱাশ্চিংটন পোষ্টৰ বাতৰিটোত কোৱা হৈছে যে অক্টোবৰত যেতিয়াই বিৰোধী সাংসদসকলে নটিফিকেশ্যনৰ স্ক্ৰীণশ্বট শ্বেয়াৰ কৰিবলৈ আৰম্ভ কৰিছিল আৰু এই লৈ দেশৰ ৰাজনীতি গৰম হৈ পৰিছিল তেতিয়াই ভাৰত চৰকাৰৰ এগৰাকী শীৰ্ষ বিষয়াই এপল ইণ্ডিয়াৰ পৰিচালন সঞ্চালক বিৰাট ভাটিয়াক মাতি পঠিয়াইছিল। বিৰাট ভাটিয়া উপস্থিত হোৱাৰ পিছতে বিষয়াগৰাকীয়ে বিভিন্ন কথাৰে তেওঁৰ ওপৰত হেঁচা প্ৰয়োগ কৰিবলৈ আৰম্ভ কৰে। ৱাশ্বিংটন পোষ্টৰ মতে বিষয়াগৰাকীয়ে ভাটিয়াক কৈছিল, 'আপোনালোকৰ ৱাৰ্ণিং নটিফিকেশ্যন উঠাই লওক আৰু কওক যে এয়া ভুলতে গুচি গৈছিল।' এই লৈ বিষয়াগৰাকী আৰু এপল ইণ্ডিয়াৰ পৰিচালন সঞ্চালকৰ কথাৰ কটাকটিও হয়। বিষয়াগৰাকীৰ বাৰম্বাৰ হেঁচাৰ পিছত ভাটিয়াই কয় যে এপলৰ তৰফৰ পৰা খুব বেছি এনে এক বিবৃতি দিব পৰা যাব যে এপলৰ ৱেবছাইটত এইধৰণৰ কথা আগৰে পৰা লিখা আছে। ইয়াৰ পিছতে এপল ইণ্ডিয়াই এক বিবৃতি জাৰি কৰিছিল। এই বিবৃতিটো আছিল এনেধৰণৰ, 'গোপন ছিগনেলৰ আধাৰত এইধৰণৰ আক্ৰমণৰ কথা ধৰা পেলোৱা হয় আৰু বহুসময়ত এয়া সঠিক নহ'বও পাৰে আৰু অৰ্ধসত্যও হ'ব পাৰে। এনেকুৱাও হ'ব পাৰে যে কিছুমান ৱাৰ্ণিং মেছেজ ওপৰুৱা সতৰ্কবাণীও হ'ব পাৰে অথবা কেতিয়াবা এনেকুৱাও হব পাৰে আক্ৰমণকাৰী কোন সেয়া গমেই পোৱা নাযাব পাৰে।' বিবৃতিটোত আৰু কোৱা হৈছিল, 'আমি কেনেকৈ কি পৰিস্থিতিত এইধৰণৰ ভাবুকিৰ সৈতে জড়িত তথ্য লাভ কৰোঁ সেয়া আমি জনাব নোৱাৰোঁ। কিয়নো এনে কৰিলে ষ্টেট স্পনছৰড হেকাৰ্ছ বা আন কোনো হেকাৰ্ছে ধৰা নপৰাকৈ থকাৰ পথ বিচাৰি উলিওৱাৰ আশংকা থাকে।' এই বিবৃতিটোৰ জৰিয়তে এপলে নিজৰ বাৰ্ণিং মেছেজক গুৰুত্বসহকাৰে নল'বলৈ একপ্ৰকাৰ ইংগিত প্ৰদান কৰিছিল। চৰকাৰৰ ৰোষৰ পৰা হাত সাৰিবলৈ এপল ইণ্ডিয়াই কমিউনিকেশ্যন বিভাগক দুগৰাকী বিশেষ টেক সাংবাদিকৰ জৰিয়তে কৌশলপূৰ্ণ বাতৰি প্ৰকাশৰ ব্যৱস্থা কৰিবলৈকো কৈছিল।






## নগা বিদ্ৰোহীৰ ফটোৰে তুলনা কৰি ক্ষোভ প্ৰকাশ একাংশৰ

# গৃহমন্ত্ৰীৰ চকীৰ পিছফালে অসহায় অসমৰ একালৰ বিদ্ৰোহী

ষ্টাফ ৰিপ'ৰ্টাৰ, ৩০ ডিচেম্বৰঃ আলোচনাপন্থী আলফা আৰু চৰকাৰৰ চুক্তিৰ পিছতে দুখন ফটোক লৈ অসমৰ নেটিজেনে গৰম কৰি তুলিছে সামাজিক মাধ্যম। এই ফটো দুখনৰ এখন হৈছে আলফাৰ চুক্তিৰ সময়ৰ আৰু আনখন হৈছে নগা শান্তি চুক্তিৰ ফটো। ২০১৫ চনৰ ৩ আগষ্টত নগা চুক্তি স্বাক্ষৰ কৰাৰ দিনটোত নগা বিদ্ৰোহীসকলে একেলগে চকীত বহি ফটো শ্বুট কৰিছিল। প্ৰধানমন্ত্ৰীৰ গাত গা লগাই বহিছিল এনএছচিএনৰ হৈ সাধাৰণ সম্পাদক লেঃ ইচাক চিচি চু আৰু থুইঙ্গালেং মুইভাই। কিন্তু ২৯ ডিচেম্বৰত নতুন দিল্লীত আলফাৰ আলোচনাপন্থী নেতৃত্বই চুক্তি স্বাক্ষৰৰ অন্তত গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত তোলা ফটোখনত অসমীয়া মানুহক অপমানিত কৰা হোৱা বুলি ধাৰণা কৰিছে নেটিজেনে। দুয়োখন ফটো শ্বেয়াৰ কৰি অসমৰ নেটিজেনে দাবী কৰিছে যে নগা বিদ্ৰেহীক যি সন্মান দিয়া হৈছে সেই সন্মান অসমৰ বিদ্ৰোহীক দিয়া হোৱা নাই। কিয়নো গৃহমন্ত্ৰী অমিত শ্বাহে চকীত বহি থকাৰ সময়তে পিছপিনে অসহায়ভাৱে থিয় হৈ আছে অসমৰ বিদ্ৰোহীসকল। প্ৰধানমন্ত্ৰী উপস্থিত নাই। আনহাতে একান্ত বাধ্য ছাত্ৰৰ দৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী আৰু গৃহমন্ত্ৰালয়ৰ আন আন বিষয়া বহি থকা চকীৰ পাছফালে থিয় হৈ ফটো উঠা দৃশ্যক সহজে ল'ব পৰা নাই অসমীয়া মানুহে। দুখন চুক্তি আৰু দুখন ফটোৰে এতিয়া ব্যাপক চৰ্চা লাভ কৰিছে। মুখ্যত অসমৰ বিদ্ৰোহীসকলৰ স্থিতি অত্যন্ত দুৰ্বল আৰু কম্প্ৰমাইজ কৰাৰ ফলতে এনে ব্যৱহাৰ কৰা বুলি অভিযোগ উঠিছে। উল্লেখ্য যে, নতুন দিল্লীত আলোচনাপন্থী আলফা-চৰকাৰৰ মাজত চুক্তি স্বাক্ষৰ কৰা হয়। চুক্তিত ৰাজনৈতিক অধিকাৰ, সম্পদৰ অধিকাৰ, সমষ্টি সংৰক্ষণ আদি দফা উল্লেখ নথকাত একাংশ লোক অসন্তুষ্ট হৈ পৰিছে। তেনে সময়তে গৃহমন্ত্ৰীয়ে বহি থকা চকীৰ পিছফালে অসহায় অৱস্থাত থিয় হৈ ফটো তোলা দৃশ্যই অসমবাসীক ব্যথিত কৰিছে। নগাসকলে জাতীয় স্থিতিক অতি শক্তিশালী ৰূপত উপস্থাপনত সফল হোৱাৰ বিপৰীতে অসমৰ বিদ্ৰোহীসকলে মূৰ দোৱাই চুক্তি স্বাক্ষৰ কৰা বুলি অভিযোগ উত্থাপন হৈছে।

## চৰকাৰী চাকৰিয়ালত পৰিণত কেবাটাও বিভাগৰ মন্ত্ৰী

# মুখ্যমন্ত্ৰী অবিহনে বিভাগ চলাব নোৱাৰা মন্ত্ৰীৰে ভৰিছে অসম মন্ত্ৰীসভা!

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৩০ ডিচেম্বৰঃ** স'ততে বিজেপিৰ নেতা-কৰ্মীয়ে সভা-সমিতিয়ে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন ৰাজ্য চৰকাৰে ৰাজ্যখনৰ সৰ্বাংগীন উন্নয়নত গুৰুত্ব প্ৰদান কৰা বুলি দাবী কৰি আহিছে৷ সৰ্বস্তৰৰ জনগণৰ মন জয় কৰিবলৈ সক্ষম হোৱা বুলি দাবী কৰি আহিছে শাসকীয় বিজেপি দলটোৱে। কিন্তু বিজেপি দলৰ চৰকাৰখনত ক্ষমতাৰ বিকেন্দ্ৰীকৰণ কৰা হৈছে নে নাই তাকে লৈ চৰ্চা হৈ আহিছে৷ মুখ্যত মুখ্যমন্ত্ৰী ড০ শৰ্মাই সকলো বিভাগ নিজ ইচ্ছা মতে পৰিচালনা কৰা বুলি সময় সময়ে চৰ্চা হয়৷ প্ৰতিটো বিভাগক কৰিব ঘোষণাসমূহ খোদ মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে৷ আনহে নালাগে খোদ শিক্ষা বিভাগে অনুষ্ঠানত কৰাৰ পৰীক্ষাৰ ফলাফল ঘোষণাৰ দিনো প্ৰথমে মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে৷ মুখ্যমন্ত্ৰীয়ে খোদ বিভাগসমূহৰ উন্নয়নৰ পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰি বিভাগীয় মন্ত্ৰীৰ পৰা কামৰ খতিয়ান লয়। খোদ মুখ্যমন্ত্ৰীৰ প্ৰত্যক্ষ হস্তক্ষেপতে কেউটা বিভাগৰ মন্ত্ৰীয়ে 'বিকশিত অসম'ৰ ধাৰণাক সাকাৰ ৰূপ দিবলৈ অহৰ্নিশে যৎপৰোনাস্তি চেষ্টা চলাই গৈছে। যোগান মন্ত্ৰী ৰণজিৎ দাস মূল্যবৃদ্ধি নিয়ন্ত্ৰণত বিফল৷ অসম চুক্তি ৰূপায়ন মন্ত্ৰী অতুল বৰাৰ আঢ়ৈটা বছৰে চুক্তিখনৰ দফাসমূহ কাৰ্যকৰী কৰিবলৈ একো পদক্ষেপ গ্ৰহণ কৰাৰ সাহস নহ'ল৷ শিক্ষামন্ত্ৰী ৰণোজ পেগুৰ বিভাগত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতিনিধি ননী গোপাল মহন্তক উপদেষ্টাভাৰ প্ৰদান৷ মন্ত্ৰী বিমল বৰা যেন নামতহে মন্ত্ৰী৷ চৰকাৰী বিভাগ চলাবলৈ বিমল বৰা, পৰিমল শুক্লবৈদ্যৰ তৎপৰতা শূন্য৷ কেৱল দুই এজনমন্ত্ৰীৰ বাহিৰে বাকী মন্ত্ৰীসকলে নিজৰ বিভাগৰ কোনো সিদ্ধান্ত নিজেই ল'ব নোৱাৰে৷ সেই কথা বাৰে বাৰে প্ৰমাণ হৈছে আৰু অসমৰ ৰাইজৰ চকুত স্পষ্টকৈ ধৰা দিছে৷ এই চৰকাৰৰ দিনত ক্ষমতাৰ বিকেন্দ্ৰীকৰণ হোৱা নাই বুলি বিভিন্ন সমালোচনা হৈ আহিছে৷ ৰাজ্যৰ কেইবাটাও বিভাগ নিত্য নতুন আঁচনি অথবা ব্যতিক্ৰমী চিন্তা-চৰ্চাৰে বিভাগসমূহক নতুনত্ব প্ৰদান কৰি সাধাৰণ জনতাৰ মাজলৈ নিয়াত সফল হৈছে। কিন্তু এই সফলতাৰ আঁৰত যে বিভাগীয় মন্ত্ৰীৰ হাত নাই সেই কথা সম্প্ৰতি মুকলিকৈ চৰ্চা চলিছে। দৰাচলতে ৰাজনৈতিক ক্ষেত্ৰখনত সিদ্ধহস্ত আৰু বাকপটুতাৰে ৰাজনীতিত বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হোৱা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সুচতুৰ ৰাজনীতিৰহে এয়া ফচল বুলি ৰাজনৈতিক মহলত আলোচনা চলিছে। কোৱা বাহুল্য যে অসম মন্ত্ৰীসভাৰ দুই-এক মন্ত্ৰীৰ বাহিৰে আন অধিকাংশ মন্ত্ৰীয়ে সম্প্ৰতি চৰকাৰী চাকৰিৰ লেখীয়া নিজৰ পদ চম্ভালিছে বুলি চৰ্চা হ'ব ধৰিছে। কিয়নো এইসকল মন্ত্ৰীয়ে মুখ্যমন্ত্ৰীৰ শ্ৰুতলিপিতহে বিভাগীয় কৰণীয় কাম-কাজ কৰি গৈছে। অৰ্থাৎ মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ অবিহনে এনে একাংশ মন্ত্ৰী এতিয়া সাধাৰণ সিদ্ধান্তও ল'বলৈ অসমৰ্থ। সামাজিক মাধ্যমত সততে তৎপৰ হৈ থকা এনে মন্ত্ৰীৰ কেইবাগৰাকীও কিন্তু মুঠেই তৎপৰ নহয় নিজৰ বিভাগত। সময়ে সময়ে বিতৰ্কিত কথা কৈ সাংবাদ শিৰোনাম দখল কৰি অস্তিত্ব জাহিৰ কৰাৰ বাহিৰে অসম মন্ত্ৰীসভাৰ বেছিভাগ মন্ত্ৰী এতিয়া ঢাল-তৰোৱাল বিহীন নিধিৰাম চৰ্দাৰ। উল্লেখ্য যে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীসভাত এনে ছবি এখন পৰিস্ফুট হ'লেও মুখ্যমন্ত্ৰীগৰাকীৰ ঘনিষ্ঠ মন্ত্ৰী কিন্তু এইক্ষেত্ৰত ব্যতিক্ৰম। মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ হোৱাৰ সুবাদ অথবা নিজৰ পৰিপক্ক ৰাজনীতিক জ্ঞানেৰে এই দুই মন্ত্ৰীয়ে মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ অবিহনেই নিয়াৰিকৈ চলাইছে নিজস্ব বিভাগ। এতিয়া প্ৰশ্ন হয় জনমুখী কাম-কাজেৰে ৰাইজৰ ওচৰ চাপিবলৈ সক্ষম হোৱা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীসভাত দৰাচলতে কেইগৰাকী আছে দক্ষ মন্ত্ৰী। মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ অবিহনে নিজস্ব বিভাগ নিয়াৰিকৈ চলাবলৈ এইসকল মন্ত্ৰী এশ শতাংশ সক্ষমনে৷ সেয়া এক বৃহৎ প্ৰশ্ন?

---

## 'অসম গ্ৰন্থমেলা'ত জাপানী শিল্পী হিৰকো চাৰাইৰ সংগীতানুষ্ঠান

**ই-সংবাদ, গুৱাহাটী, ৩০ ডিচেম্বৰঃ** বহু প্ৰতীক্ষাৰ 'অসম গ্ৰন্থমেলা' ২৯ ডিচেম্বৰৰ আবেলি ৪ বজাত উদ্বোধন কৰা হয়৷ অসম প্ৰকাশন পৰিষদ, সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত যৌথভাৱে অনুষ্ঠিত গ্ৰন্থমেলাত পঢ়ুৱৈয়ে নিজৰ প্ৰিয় লিখকৰ গ্ৰন্থ বিচাৰি ভিৰ কৰিছে৷ ৩০ ডিচেম্বৰৰ বিয়লি ৩ বজাত ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ জন্ম শতবৰ্ষ উপলক্ষে বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়৷ ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ উপন্যাসৰ বিষয়বস্তুৰ বিশেষত্ব শীৰ্ষক আলোচনাত কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকি তত্বগধুৰ বক্তব্য প্ৰদান কৰে৷ গ্ৰন্থমেলাত প্ৰতিদিনে সাংস্কৃতিক সন্ধিয়াৰো আয়োজন কৰা হৈছে৷ ৩০ ডিচেম্বৰৰ সন্ধিয়া সুদক্ষিণা শৰ্মা সোঁৱৰণী সাংস্কৃতিক অনুষ্ঠানত আজি মুম্বাইৰ জাপানী শিল্পী হিৰকো চাৰাই সংগীত পৰিৱেশ কৰে৷ মুম্বাইৰ পৰা সহযোগী শিল্পীৰ সৈতে গুৱাহাটীত উপস্থিত হৈ অন্তৰংগ আলাপত মিলিত হৈ আনন্দ প্ৰকাশ কৰে হিৰকোৱে৷ অসমৰ ৰাইজক ধন্যবাদো জ্ঞাপন কৰে৷ ইতিমধ্যে হিৰকো চাৰাই সামাজিক মাধ্যত এটা ভিডিঅ' শ্বেয়াৰ কৰি অসম প্ৰকাশন পৰিষদ, সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থা, মিৰাই জাপানী শিক্ষণ কেন্দ্ৰ, অসম জাপান গেটৱেক ধন্যবাদ জ্ঞাপন কৰিছিল৷ ভাৰত-জাপান সাংস্কৃতিক সমন্বয়ৰ কথা উল্লেখ কৰি হিৰকোৱে কৈছিল যে আমি প্ৰথমবাৰৰ বাবে অসমত প্ৰদৰ্শন কৰিবলৈ আহি উৎসাহিত। আপোনালোকৰ সাক্ষাৎ পাম৷ আমাৰ সংগীতৰ অনুষ্ঠান চাবলৈ আহিবলৈ নাপাহৰিব৷ উল্লেখ্য যে ৯ জানুৱাৰীলৈ ১২ দিনীয়াকৈ চানমাৰিৰ অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত চলিবলগীয়া অসম গ্ৰন্থমেলাত আৰম্ভণিৰ দিনটোৰে পৰা পঢ়ুৱৈসকলে ভিৰ কৰা পৰিলক্ষিত হৈছে৷

# অসমৰ ৰাজনীতিত ক্ৰমাৎ বৃদ্ধি পাইছে সোণোৱালৰ গুৰুত্ব

## ডিব্ৰুগড়ত ভাগৱত-সোণোৱালৰ ৰুদ্ধদ্বাৰ বৈঠক

**ই-সংবাদ, ডিব্ৰুগড়, ৩০ ডিচেম্বৰঃ** লোকসভা নিৰ্বাচনৰ পূৰ্বে তিনিদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ প্ৰধান মোহন ভাগৱতে মাজুলীৰ পাছতে ডিব্ৰুগড় ভ্ৰমণ কৰিছে৷ তিনিদিনীয়া ভ্ৰমণৰ সময়ত ভাগৱতে লখিমপুৰৰ আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰ, অসম চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক প্ৰশান্ত দিহিঙিয়া, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালক সক্ষাৎ কৰে৷ আজি ডিব্ৰুগড়ত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালক সাক্ষাৎ কৰি বিশেষ আলোচনাত মিলিত হয় আৰএছএছ নেতাগৰাকী৷ নেতাদ্বয়ে ৰাজ্যখনৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰা বুলিও জানিব পৰা গৈছে৷ সোণোৱালৰ সৈতে আৰএছএছৰ অসমৰ শীৰ্ষ পদবীধাৰীসকল উপস্থিত আছিল৷ নিৰ্বাচনৰ পূৰ্বে অনুষ্ঠিত এই বৈঠকে লাভ কৰিছে বিশেষ গুৰুত্ব৷ কিয়নো গুৱাহাটীত ভৰি নিদিয়াকৈ মোহন ভাগৱতে উজনি অসমতে ভ্ৰমণ সামাৰিছে৷ আনহাতে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ নকৰি সৰ্বানন্দ সোণোৱালক সাক্ষাৎ কৰি দীঘলীয়া আলোচনাত মিলিত হয় ভাগৱত৷ এই কথাই বিজেপিৰ ৰাজনীতিত অসমত সৰ্বানন্দ সোণোৱালৰ গুৰুত্ব বৃদ্ধি পোৱাকে বুজাইছে নেকি বুলিও প্ৰশ্ন উত্থাপিত হৈছে। বিজেপিৰ ৰাজনীতিত আৰএছএছৰ আৰ্শীবাদ-কৃপা অবিহনে একো নহয় বুলি কোৱা হয়৷ এই বাবেই লোকসভা নিৰ্বাচনৰ পূৰ্বে অসমৰ ৰাজনীতিত বৃহৎ উত্থান-পতন হ’ব নেকি বুলি চৰ্চা চলিছে৷ পুনৰ সৰ্বানন্দ সোণোৱালক অসমত বিশেষ দায়িত্ব দিয়া হ’ব পাৰে নেকি বুলি চৰ্চা হৈছে৷ সৰ্বানন্দ সোণোৱালাক সাক্ষাতৰ সময়ত ভাগৱতে কেন্দ্ৰীয় চৰকাৰৰ সৈতে আলফাৰ আলোচনাপন্থী গোটে চুক্তি স্বাক্ষৰ কৰা কাৰ্যক আদৰণি জনায়৷ খবৰ মতে, নতুন দিল্লীত আলফাৰ সৈতে হোৱা ঐতিহাসিক চুক্তি সন্দৰ্ভত ভাগৱতক অৱগত কৰোৱা হৈছিল৷ এই চুক্তিক আন্তৰিকতাৰে আদৰণি জনাই শান্তি চুক্তিৰ ফলত অসমৰ পৰিস্থিতি আৰু উন্নত হ'ব বুলি আশা প্ৰকাশ কৰিছে ভাগৱতে৷ ২৭ ডিচেম্বৰত আৰএছএছৰ মুৰব্বী মোহন ভাগৱতে অসমৰ ভ্ৰমণৰ উদ্দেশ্যে বিশেষ বিমানযোগে ডিব্ৰুগড়ত উপস্থিত হৈছিল৷ ডিব্ৰুগড়ৰ পৰা মাজুলীলৈ গৈছিল৷ শুকুৰবাৰে মাজুলীৰ পৰা ডিব্ৰুগড়লৈ উভতি আহে। আজি অন্তিম দিনটোত ডিব্ৰুগড়ত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালক সাক্ষাৎ কৰে ভাগৱতে। মাজুলীত আৰএছএছৰ মুৰব্বীগৰাকীয়ে উত্তৰ কমলাবাৰী সত্ৰ পৰিদৰ্শন কৰি সত্ৰাধিকাৰৰ সৈতে আলোচনাত মিলিত হৈছিল৷ মাজুলীত ভাগৱতে উত্তৰ-পূবত ধৰ্মান্তৰকৰণৰ বৰ্ধিত ঘটনাত গভীৰ উদ্বেগ প্ৰকাশ কৰে। ভাগৱতে ৭০ শতাংশ লোকে হিন্দু ধৰ্মলৈ পুনৰ উভতি আহিবলৈ মানসিকভাৱে প্ৰস্তুত হোৱা বুলিও কয়।ভাগৱতে আৰু কয় যে মাজুলাবাসীৰ পন্থা বেলেগ বেলেগ হ’লেও সকলোৱেই সনাতনী।



# পাকিস্তানৰ বিশেষ স্থানক প্ৰশংসা মন্ত্ৰী অশোক সিংঘলৰ!

## ফেচবুকত ফটোসহ দিলে ইতিবাচক পোষ্ট

**ই-সংবাদ, গুৱাহাটী, ৩০ ডিচেম্বৰঃ** বিজেপিৰ নেতা তথা অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই হিন্দুত্ববাদৰ ৰাজনীতি আৰম্ভ কৰাৰ পাছৰে পৰা পাকিস্তান, মোগল, মুছলমান আদি শব্দ কৈ নিৰ্দিষ্ট ধৰ্মৰ লোকক টাৰ্গেট কৰি হিন্দু ভোট লাভৰ ৰাজনীতি কৰি আহিছে। বিশেষকৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই পাকিস্তানক লৈ প্ৰায়ে মন্তব্য প্ৰদান কৰি কংগ্ৰেছক তীব্ৰ আক্ৰমণ কৰে। আনহে নালাগে পাকিস্তানত ধৰ্মীয় নিগ্ৰহৰ বলি হিন্দু শৰণাৰ্থীক ভাৰতত নাগৰিকত্ব প্ৰদান কৰিবলৈ নাগৰিকত্ব আইন সংশোধন কৰিছে। নাগৰিকত্ব সংশোধনী আইনৰ সমৰ্থনত হিমন্ত বিশ্ব শৰ্মাই ওকালতি কৰি আহিছে। ভাৰতৰ চিৰশত্ৰু পাকিস্তানৰ নাম লৈ ৰাজনীতি কৰা বিজেপিৰ অসমৰ মন্ত্ৰী তথা হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীসভাৰ মন্ত্ৰীয়ে আওপকীয়াকৈ পাকিস্তানৰ প্ৰশংসা কৰিছে। হিমন্ত বিশ্ব শৰ্মা মন্ত্ৰীসভাৰ মন্ত্ৰী অশোক সিংঘলে নিজৰ ফেচবুক পেজত পাকিস্তানৰ এক ধৰ্মস্থলীৰ ফটো শ্বেয়াৰ কৰি প্ৰশংসাত গদগদ হোৱা দেখা যায়। ফেচবুক পেজত দিয়া পোষ্টত মন্ত্ৰী অশোক সিংঘলে উক্ত ধৰ্মস্থলীক সমন্বয়ৰ স্থলী বুলিও প্ৰশংসা কৰাৰ লগতে ২ লাখ ৫০ হাজাৰতকৈ অধিক লোক সমবেত হোৱা বুলি দাবী কৰিছে। ইয়াৰ দ্বাৰা বিজেপিয়ে পাকিস্তানত হিন্দুৰ ওপৰত অত্যাচাৰ হৈ অহা বুলি কৈ কৰি অহা ৰাজনীতিত প্ৰশ্ন চিহ্ন উত্থাপন কৰিছে। মন্ত্ৰী অশোক সিংহলে পোষ্টটোত কয় "হিংলাজ মাতা মন্দিৰ বেলুচিস্তানৰ লাছবেলা জিলাত অৱস্থিত হিন্দু ধৰ্মৰ ৫১টা শক্তিপীঠৰ ভিতৰত অন্যতম এটি পীঠ আৰু পাকিস্তানৰ তিনিটা শক্তি পীঠৰ ভিতৰত অতিকে গুৰুত্বপূৰ্ণ। এই পীঠ হিংগল নদীৰ পাৰৰ পাহাৰীয়া গুহাত থকা দুৰ্গা বা দেৱীৰ এটা ৰূপ। যোৱা তিনিটা দশকত এই ঠাইখনে ক্ৰমান্বয়ে জনপ্ৰিয়তা লাভ কৰিছে আৰু পাকিস্তানৰ বহু হিন্দু সম্প্ৰদায়ৰ বাবে এক সমন্বয়ৰ স্থান হৈ পৰিছে। হিংলাজ যাত্ৰা হৈছে পাকিস্তানৰ সৰ্ববৃহৎ হিন্দু তীৰ্থযাত্ৰা। বসন্ত কালত ২ লাখ ৫০ হাজাৰতকৈ অধিক লোকে হিংলাজ যাত্ৰাত অংশগ্ৰহণ কৰে।"

---

# বন্যপ্ৰাণী সংৰক্ষণ নীতি উদঙাই ২০২৩ বৰ্ষত দেশত ১৭৭টা বাঘৰ মৃত্যু

**নতুন দিল্লী, ৩০ ডিচেম্বৰঃ** কেন্দ্ৰীয় চৰকাৰে বন্যপ্ৰাণী সংৰক্ষণত গুৰুত্ব আৰোপ কৰা বুলি কৈ আহিলেও শেহতীয়াকৈ প্ৰকাশ পোৱা তথ্যই আন এক দিশে উন্মোচন কৰিছে। দেশত বাঘৰ সংখ্যা বৃদ্ধি পোৱা বুলি দাবী কৰিলেও শেহতীয়া তথ্য কিন্তু বিপৰীতহে। কিয়নো ২০১৩ বৰ্ষত দেশত প্ৰায় দুই শতাধিক বাঘৰ মৃত্যু হৈছে। পৰিৱেশ মন্ত্ৰালয়ৰ তথ্যত এই তথ্য প্ৰকাশ পাইছে। কিছু সংবাদ মাধ্যমে এই বছৰ বাঘৰ মৃত্যুৰ হাৰ উচ্চ বুলি উল্লেখ কৰাৰ পাছতে পৰিৱেশ মন্ত্ৰালয়ে এই সংখ্যা প্ৰকাশ কৰিছে। একাংশ সংবাদমাধ্যমে ২০২টা বাঘৰ মৃত্যু হোৱা বুলি প্ৰতিবেদন প্ৰকাশ কৰিছিল। তাৰ পাছতে পৰিৱেশ মন্ত্ৰালয়ে তথ্য জাৰি কৰি কয় যে ২০২৩ চনত দেশত ১৭৭টা বাঘৰ মৃত্যু হৈছে। দেশৰ ভিতৰত সৰ্বাধিক মহাৰাষ্ট্ৰত ৪৫টা বাঘৰ মৃত্যু হৈছে। পৰিৱেশ মন্ত্ৰালয়ৰ তথ্য অনুসৰি ২০২৩ চনত হোৱা মৃত্যু হোৱা বাঘৰ ভিতৰত ৪০ শতাংশ পোৱালি আৰু মাইনৰ আছিল। ২০২৩ চনৰ ২৫ ডিচেম্বৰলৈকে দেশত ১৭৭টা বাঘৰ মৃত্যু হৈছে। যথেষ্ট পৰিমাণৰ বাঘৰ সংখ্যা থকা ৰাজ্য আৰু বহন ক্ষমতাত বাসস্থান থকা ঠাইত মৃত্যুৰ সংখ্যা বাঢ়িছে। আনহাতে মহাৰাষ্ট্ৰত সৰ্বাধিক ৪৫টা, মধ্য প্ৰদেশত ৪০টা, উত্তৰাখণ্ডত ২০টা, তামিলনাডুত ১৫টা, কেৰালাত ১৪টা বাঘৰ মৃত্যু হৈছে। ৫৪ শতাংশ মৃত্যু বাঘৰ প্ৰকৃত বসতিস্থলীৰ বাহিৰত সংঘটিত হৈছে। উল্লেখ্য যে, ভাৰতত পৃথিৱীৰ ৭০ শতাংশতকৈও অধিক বাঘ বৰ্তমানেও মজুত আছে। দেশত কমেও ৩,১৬৭টা বাঘ আছে। ভাৰতত বাঘ প্ৰতি বছৰে ৬ শতাংশ হাৰত বৃদ্ধি হৈ আহিছে। পৰিৱেশ মন্ত্ৰালয়ে কয় যে এই হাৰে বিভিন্ন প্ৰাকৃতিক কাৰণত বাঘৰ মৃত্যু হ'লেও সন্তুলন বৰ্তাই ৰাখে। বনাঞ্চলত বাঘৰ গড় বয়স প্ৰায় ১০-১২ বছৰ। ২০২৩ চনত মৃত্যু হোৱা মাঘৰ ৪০ শতাংশ পোৱালি আৰু মাইনৰ বাঘ। এনে বয়সৰ বাঘে সহজাতভাৱে মৃত্যুৰ মুখত পৰে। দেশত মুঠ বাঘ বিচৰণ এলেকা তথা ব্ৰঘ্য প্ৰকল্পৰ সংখ্যা হৈছে ৫৪। যি ৭৮ হাজাৰ বৰ্গ কিলোমিটাৰ এলেকা আৱৰি আছে আৰু ভাৰতৰ ভৌগোলিক এলেকাৰ ২.৩০ শতাংশতকৈও অধিক। এই বছৰ 'ৰাণী দুৰ্গাৱতী'ক আন এটা নতুন ব্যাঘ্ৰ সংৰক্ষিত এলেকা ৰূপে ঘোষণা কৰা হৈছে।

# বিজেপিয়ে আলফাক ব্যৱহাৰ কৰিছেঃ লুৰীণজ্যোতি

## চুক্তিক ৰাজনৈতিক হাথিয়াৰ আখ্যা

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৩০ ডিচেম্বৰঃ** আলফাৰ আলোচনাপন্থী গোটে স্বাক্ষৰ কৰা চুক্তিখনক অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে তীব্ৰ সমালোচনা কৰিছে৷ আলফাক ব্যৱহাৰ কৰি বিজেপিয়ে চুক্তিখন স্বাক্ষৰিত কৰা বুলি অভিযোগ আনি চুক্তিত অসমৰ মৌলিক সমস্যাৰ সমাধান সূত্ৰ নাই নাই বুলি কয় লুৰীণজ্যোতি গগৈয়ে৷ আজি গুৱাহাটীত সংবাদমাধ্যমৰ মুখামুখি হৈ লুৰীণজ্যোতি গগৈয়ে এনে গুৰুতৰ অভিযোগ উত্থাপন কৰে৷ বিজেপিয়ে আলফাক ব্যৱহাৰ কৰা বুলি কৈ গগৈয়ে কয় চুক্তিখনক ৰাজনৈতিক বৈতৰণী পাৰ হোৱাৰ হাথিয়াৰ কৰা হ'ব৷ পৰেশ বৰুৱাৰ প্ৰসংগ উত্থাপন কৰি গগৈয়ে পৰেশ বৰুৱা অবিহনে আলফাৰ চুক্তি অসম্পূৰ্ণ বুলি দোহাৰে৷ আনহাতে গগৈয়ে পৰেশ বৰুৱাক আলোচনালৈ আনি এই চুক্তিখন সম্পূৰ্ণ কৰাৰ প্ৰয়োজন আছিল যদিও বিজেপি চৰকাৰে সদিচ্ছা প্ৰকাশ কৰা নাই বুলি কয়৷ গগৈয়ে আৰু কয় "চুক্তিখনত অসমৰ কোনো মৌলিক সমস্যাৰ সমাধান সূত্ৰ নাই৷ 'কা' বলবৎ নকৰাৰ কথা উল্লেখ নাই৷ অসমৰ মানুহৰ ৰাজনৈতিক অধিকাৰৰ কথা উল্লেখ নাই৷ সম্পদৰ ওপৰত অসমৰ মানুহৰ অধিকাৰৰ কথা উল্লেখ নাই৷ অসমৰ বান সমস্যাক ৰাষ্ট্ৰীয় সমস্যা ঘোষণা কৰাৰ কথা উল্লেখ নাই৷" লুৰীণে ভাৰত চৰকাৰে বহু চুক্তি স্বাক্ষৰ কৰা বুলি কৈ কয় যে স্বাধীনোত্তৰ ইতিহাসত অসম আৰু অসমৰ খিলঞ্জীয়া মানুহৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে বহু চুক্তি সম্পাদন হ'ল৷ চুক্তি ৰূপায়নহে নহ'ল৷ অসমত খিলঞ্জীয়া মানুহৰ অস্তিত্ব ৰক্ষাৰ বাবে অসমীয়া মানুহে ৬ বছৰ আন্দোলন কৰিছিল৷ ৮৫৫ জন শ্বহীহ হয়৷ লক্ষ লক্ষ মানুহ নিৰ্যাতিত হয়৷ ফলশ্ৰুতিত স্বাক্ষৰ কৰা অসম চুক্তি ৰূপায়ন নহ'ল৷ অসমৰ অসমীয়া মানুহৰ আৰ্থিক, সাংস্কৃতিক, সামাজিক আৰু ৰাজনৈতিক অধিকাৰ সৰ্বকালৰ বাবে সুৰক্ষিত কৰিবলৈ অসম চুক্তিৰ ৬নং দফাৰ আধাৰত সাংবিধানিক ৰক্ষাকৱচৰ পৰামৰ্শাৱলীক কাৰ্যকৰী কৰাৰ দিশটোক চুক্তিখনত অগ্ৰাধিকাৰ নিদিলে বুলিও কয় অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে৷

---

# অযোধ্যাত ১৫,৭০০ কোটি টকাৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন মোদীৰ

**নতুন দিল্লী, ৩০ ডিচেম্বৰঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অযোধ্যাত কেইবাটাও বিলাসী প্ৰকল্প উদ্বোধন কৰে৷ প্ৰধানমন্ত্ৰী মোদীয়ে ৰাম মন্দিৰ নিৰ্মাণ হোৱা চহৰখনত নৱনিৰ্মিত বিমানবন্দৰ উদ্বোধন কৰি উত্তৰ প্ৰদেশৰ বাবে ১৫,৭০০ কোটি টকাৰ উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিছে৷ যাৰ ভিতৰত আছে অযোধ্যাৰ বাবে ১১,১০০ কোটি টকাৰ প্ৰকল্প। একেটা অনুষ্ঠানতে পুনৰ নিৰ্মাণ কৰা অযোধ্যা ৰে'ল ষ্টেচন উদ্বোধন কৰাৰ পিছত তাৰে কেইবাখনো ৰে'লৰ শুভাৰম্ভ কৰে৷ ইয়াৰ ভিতৰত আছিল প্ৰথম অমৃত ভাৰত ৰেল। অমৃত ভাৰত এক্সপ্ৰেছ নামেৰে দেশত নতুন শ্ৰেণীৰ চুপাৰফাষ্ট যাত্ৰীবাহী ৰে'লৰ সেৱা শুভাৰম্ভ হয়। ৰেলখনত শীতাতপ নিয়ন্ত্ৰিত ডবা থাকিব। এই ৰেলখনত উন্নত ত্বৰণৰ বাবে দুয়োটা মূৰত লোকো আছে। যিয়ে যাত্ৰীসকলৰ বাবে উন্নত সুবিধা প্ৰদান কৰে৷ ডিজাইন কৰা আসন, উন্নত লাগেজ ৰেক, মোবাইল চাৰ্জিং পোৰ্ট, এলইডি লাইট, চিচিটিভি আৰু ৰাজহুৱা তথ্য প্ৰণালী সংলগ্ন কৰা হৈছে৷ ফ্লেগ অফ কৰা দুয়োখন নতুন অমৃত ভাৰত ৰে'ল দৰভাঙ্গাৰ পৰা অযোধ্যা হৈ আনন্দ বিহাৰ লৈ আৰু মালদা চহৰৰ পৰা বাংগালুৰুলৈ চলিব। প্ৰধানমন্ত্ৰীয়ে ছয়খন নতুন বন্দে ভাৰত ৰে'লৰো শুভাৰম্ভ কৰে। প্ৰধানমন্ত্ৰী মোডীয়ে ছয়খন নতুন বন্দে ভাৰত ৰেলৰ শুভাৰম্ভ কৰে। ৰে'লসমূহ শ্ৰী মাতা বৈষ্ণো দেৱী কাটৰাৰ পৰা নতুন দিল্লীলৈ, অমৃতসৰৰ পৰা দিল্লীলৈ, কইম্বাটুৰৰ পৰা বাংগালুৰুৰ কেণ্টলৈ, মাংগালুৰুৰ পৰা মাদগাঁৱলৈ, জালনাৰ পৰা মুম্বাইলৈ আৰু আনন্দ বিহাৰৰ পৰা অযোধ্যালৈ চলাচল কৰিব। প্ৰধানমন্ত্ৰীয়ে অযোধ্যাত ৰে'ল আন্তঃগাঁথনি শক্তিশালী কৰাৰ বাবে ২,৩০০ কোটি টকাৰ তিনিটা ৰে'ল প্ৰকল্পও উৎসৰ্গা কৰে। প্ৰকল্পবোৰৰ ভিতৰত আছে ৰুমা চাকেৰী-চন্দেৰী তৃতীয় শাৰীৰ প্ৰকল্প, জৌনপুৰ-তুলসী নগৰ, আকবৰপুৰ-অযোধ্যা, সোহাৱাল-পাত্ৰংগা, জৌনপুৰ-অযোধ্যা-বাৰাবাঁকী প্ৰকল্পৰ চফদৰগঞ্জ-ৰাচাউলী শাখা আৰু মালহাউৰ-দালিগঞ্জ ৰে'ল শাখাৰ বৈদ্যুতিকৰণ প্ৰকল্প মুকলি কৰে। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে ২২ জানুৱাৰীত মন্দিৰৰ মূৰ্তিৰ অভিষেক অনুষ্ঠানৰ বাবে নিৰ্ধাৰণ কৰে। সংঘ পৰিয়ালে অনুষ্ঠানৰ বাবে সমগ্ৰ ভাৰতত প্ৰচাৰৰ উদ্যোগ লৈছে।

# সাতভনী আৰু জাতীয় স্থিতিত অটল নগাসকল

“২৯ ডিচেম্বৰত আলোচনাপন্থী আলফাই চুক্তিত স্বাক্ষৰ কৰাৰ সময়ত গৃহমন্ত্ৰীৰ চকীৰ পিছফালে অসহায় অৱস্থাত দেখা গ’ল অসমৰ একালৰ বিদ্ৰোহীসকলক!”

**প্ৰভাত দত্ত**

সাতভনী! ব্যৱহাৰিক অৰ্থত ‘সাতভনী’ শব্দটো উত্তৰ-পূৰ্বাঞ্চলৰ বাহিৰৰ মানুহৰ বাবে হয়তো সংখ্যাক বুজোৱা এটা শব্দ। কিন্তু উত্তৰ-পূৰ্বাঞ্চলৰ মানুহৰ বাবে ‘সাতভনী’ মানেই হৈছে আৱেগ। তেজৰ সম্পৰ্কিত টান। সাতভনী মানেই হৈছে ‘বঙহ’, ‘কুটুম্ব’, ‘জ্ঞাতিবৰ্গ’। সাত ৰাজ্যৰ এক বৰ্ণিল সমন্বয়। ভাষা, সাজ-পাৰ, খাদ্য, মুখাৱয়ব, বসতিস্থান, দেহৰ গঠন আদিৰ মিল। ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ এই প্ৰান্তত জনজাতীয় লোকেৰে ভৰপূৰ। চীন, ম্যানমাৰ, বাংলাদেশ, ভূটান সমীন্তৱৰ্তী এই এলেকা এদিন এখনেই ৰাজ্য ‘বৰ অসম’ আছিল।

১৯১২ চনত ব্ৰিটিছ ইণ্ডিয়াৰ অসম প্ৰভিন্সৰ ফলত এই বৰ অসম সাত ভাগ হোৱাৰ পাছৰে পৰা উত্তৰ-পূৰ্বাঞ্চলক সাতভনী বুলি কোৱা হয়। ৰাজ্য ৰূপে ভাগ ভাগ হ’লেও আজিও কুটুম এই ৰাজ্যকেইখনৰ নাগৰিক। ১৯৬৩ চনত নাগালেণ্ড, ১৯৭২ চনত মণিপুৰ, ত্ৰিপুৰা আৰু মেঘালয়, ১৯৮৭ চনত মিজোৰাম আৰু অৰুণাচল গঠন হৈছিল। থাকি গ’ল অসম। বৰ অসমৰ এটা এটা অংশক একোখনকৈ ৰাজ্য কৰা হয়। উত্তৰ-পূৰ্বাঞ্চলৰ ভূখণ্ডক ৰাজ্য আকাৰে ভাগ ভাগ কৰিলেও সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ মানুহৰ মাজত ঐক্য আৰু সদ্ভাৱনা আজিও বৰ্তি আছে। ঐতিহ্য, পৰম্পৰা, সংস্কৃতিসমূহৰ মিল আছে। এনে ঐতিহ্য, পৰম্পৰা, সংস্কৃতিসমূহ সমিলমিলেৰে পালন কৰা হয়।

সাতখন ৰাজ্যৰ মানুহৰ জাতীয় আৱেগ অভূতপূৰ্ব। জাতীয় আৱেগৰ বাবেই অধিকাৰৰ সংগ্ৰামসমূহ এইকেইখন ৰাজ্যত অধিক। ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক অধিকাৰৰ বাবে বিদ্ৰোহ কৰিবলগীয়াত পৰিছিল। দিল্লী চৰকাৰৰ প্ৰৱঞ্চনাৰ বিৰুদ্ধে সাতভনীৰ বহু সন্তানে হাতত অস্ত্ৰ তুলি লৈ অধিকাৰ আজুৰি আনিবলৈ সংগ্ৰাম আৰম্ভ কৰিছিল।

নাগালেণ্ডত নেচনেল ছ’চিয়েলিষ্ট কাউন্সিল অৱ নাগালেণ্ড চমুকৈ এনএছচিএন, অসমত সংযুক্ত মুক্তি বাহিনী অসম গঠন কৰিছিল একাংশ ডেকাই। আন ৰাজ্য কেইখনতো অধিকাৰৰ দাবী কৰি সশস্ত্ৰ সংগ্ৰাম কৰা পৰিলক্ষিত হয়। উত্তৰ পূৰ্বাঞ্চলত দীৰ্ঘ ৫টা দশকৰ ৰক্তাক্ত সংঘাতে সশস্ত্ৰ সংগ্ৰামৰ নতুন ইতিহাস স্থাপন কৰিছে। এই ৰক্তাক্ত সংঘাতৰ পৰিণাম ভয়াবহ হোৱা দেখা যায়। সাতভনীৰ বহু পাহুৱাল ডেকা সেনা আৰক্ষীৰ গুলীত নিহত হয়। সশস্ত্ৰ সংগঠনৰ নেতা-কেডাৰৰ পৰিয়াল নিৰ্যাতনৰ বলি হয়।

আনহাতে, সশস্ত্ৰ সংগঠনৰ হিংসাত্মক কাৰ্যত মানুহৰ প্ৰাণ যোৱাৰ লগতে ৰাজহুৱা আৰু ব্যক্তিগত সম্পত্তিৰ ক্ষতি হয়। এই ৫টা দশকযোৰা সংগ্ৰামৰ ইতি পেলাবলৈ দিল্লীৰ প্ৰতিখন চৰকাৰে প্ৰয়াস কৰি গৈছে। দীৰ্ঘ আলোচনাৰ অন্তত ২০১৫ চনৰ ৩ আগষ্টত নগা শান্তি চুক্তি সম্পন্ন কৰে ভাৰত চৰকাৰে। নাগালেণ্ডৰ এনএছচিএনৰ সৈতে মৰ্যদাপূৰ্ণ চুক্তি স্বাক্ষৰ কৰে ভাৰত চৰকাৰে।

দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত এনএছচিএনৰ হৈ সাধাৰণ সম্পাদক লেঃ ইচাক চিচি চু আৰু থুইঙ্গালেং মুইভাই স্বাক্ষৰ কৰে। এই চুক্তি স্বাক্ষৰৰ সময়ত খোদ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উপস্থিত থকাৰ লগতে নগা বিদ্ৰোহীসকলক সন্মান প্ৰদান কৰা হয়। বিপৰীতে ২৯ ডিচেম্বৰত আলোচনাপন্থী আলফাই চুক্তি স্বাক্ষৰ কৰাৰ সময়ত গৃহমন্ত্ৰীৰ চকীৰ পিছফালে অসহায় অৱস্থাত দেখা গ’ল অসমৰ একালৰ বিদ্ৰোহীসকলক। ইয়েই আচলতে অসমৰ দুৰ্বল জাতিসত্বাকে দেখুৱাই দিছে বুলিও এতিয়া চৰ্চা চলিছে।

**সম্পাদকীয়**

শনিবাৰ,
৩০ ডিচেম্বৰ, ২০২৩।।
নিশা ১০ বজা

## তামিলৰ শিকিবলগীয়া বহুত আছে

অসমৰ সাধাৰণ মানুহবোৰৰ ৰাজনৈতিক চেতনাৰ যিতো স্তৰ, তেওঁলোক ঠগন খোৱাৰে যোগ্য। ইয়াৰ পৰিৱৰ্তে নগাসকলৰ দৰে শক্তিশালী ৰাজনৈতিক চেতনা তথা আত্মসন্মান বোধ থকা জাতিয়ে বহু পৰিমাণে নিজৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ আজুৰি আনি নিজকে সুৰক্ষিত কৰি ৰাখিব পাৰিছে। একেদৰে শক্তিশালী ৰাজনৈতিক চেতনাৰে সমৃদ্ধ এটা জাতি হ’ল তামিলসকল। অৰ্থনৈতিকভাৱেও যথেষ্ট শক্তিশালী তামিলসকলে মাজে সময়ে কেন্দ্ৰকো ৰঙা চকু দেখুৱাই থাকে। দিল্লীৰ দাদাগিৰিৰ ওচৰত তেওঁলোকে শিৰনত নকৰে। তামিল জাতীয়তাবাদৰ আন এক অন্যতম বৈশিষ্ট্য হ’ল মনুবাদী বৰ্ণবাদৰ বিৰুদ্ধে থকা শক্তিশালী বিৰোধ। সামাজিক ন্যায়ৰ আন্দোলনে তামিলনাডুৰ ৰাজনীতিত বহু পূৰ্বেই এক শক্তিশালী স্থান অধিকাৰ কৰি লোৱাৰ বাবেই তাত আজিও হিন্দুত্ববাদী ৰাজনীতিয়ে খোপনি পুতিব পৰা নাই। তামিল আৰু নগাসকলৰ পৰা শিকিবলগীয়া বহুত আছে।

**হৰ্দিপ জে. দাস**



## গণতন্ত্ৰ সমৰ্থনকাৰী বিদ্ৰোহীৰে তুমুল সংঘৰ্ষ

# ১৫১ জন ম্যানমাৰৰ সেনাৰ ভাৰতৰ ভূমিত প্ৰৱেশ

**ৰেংগুন, ৩০ ডিচেম্বৰঃ** চুবুৰীয়া দেশ ম্যানমাৰত ৰাজনৈতিক অস্থিৰ পৰিবেশ অব্যাহত আছে। যাৰ ফলত সীমান্তৱৰ্তী এলেকাত ভাৰতে নিৰাপত্তা বৃদ্ধি কৰিছে। ইয়াৰ মাজতে ম্যানমাৰৰ সেনাৰ দুটাকৈ দল ভাৰতৰ ভূমিত প্ৰৱেশ কৰিছে। ১৫১ জনীয়া ম্যানমাৰ সৈন্যৰ দলে মিজোৰামত প্ৰৱেশ কৰাৰ ঘটনাই বিশেষ গুৰুত্ববহন কৰিছে। ভাৰতীয় সীমান্তত বিদ্ৰোহীৰ বিৰুদ্ধে ম্যানমাৰৰ সেনাৰ প্ৰচণ্ড যুঁজ অব্যাহত থকাৰ সময়তে ১৫১ জন ম্যানমাৰৰ সেনা মিজোৰামত প্ৰৱেশ কৰিছে। ২৯ ডিচেম্বৰত মিজোৰামৰ ভাৰতীয় ভূখণ্ডৰ ভিতৰত প্ৰায় ১৫১ জন ম্যানমাৰৰ সৈন্যই প্ৰৱেশ কৰিছে। বিদ্ৰোহীৰ বিৰুদ্ধে যুঁজি থকাৰ সময়তে ম্যানমাৰৰ সেনাই সীমান্তৱৰ্তী লংটলাইৰ টুইচেণ্টলাঙত প্ৰৱেশ কৰে। ২৯ ডিচেম্বৰত ৮৩ জনীয়া এটা আৰু ৬৮ জনীয়া সৈন্যৰ আন এটা দলে মিজোৰামত প্ৰৱেশ কৰাত ভাৰত-ম্যানমাৰ সীমান্তৰ বনাঞ্চলত বহু ম্যানমাৰৰ সৈন্য সন্ধানহীন হৈ থকাৰ সন্দেহ কৰা হৈছে। সেই সময়তে অসম ৰাইফলছৰ সৈন্যই ম্যানমাৰৰ সৈন্যসকলক ভাৰতৰ ভূমিত প্ৰত্যক্ষ কৰি টুইচেণ্টলাঙলৈ পথ দেখুৱাই দিছিল। বৰ্তমান ভাৰতৰ ভূমিতে থকা সেনাৰ দলটোক ম্যানমাৰলৈ ঘূৰাই পঠোৱা হ'ব। ম্যানমাৰ সেনা আৰু আৰাকান বিদ্ৰোহীৰ মাজত ম্যানমাৰৰ চিন ৰাজ্যত প্ৰচণ্ড সংঘৰ্ষ অব্যাহত চলি আছে। ম্যানমাৰৰ বিদ্ৰোহী সংগঠন চিনলেণ্ড ডিফেন্স ফৰ্চ চমুকৈ চিডিএফৰ বিৰুদ্ধে যুঁজি থকা জান্তা সেনাই উত্তৰ-পূৰ্বাঞ্চলৰ বাবে অশনি সংকেত কঢ়িয়াই আনিব পাৰে। চিডিএফ বিদ্ৰোহীসকলে ম্যানমাৰৰ সামৰিক শাসনক প্ৰত্যাহ্বান জনাই অহাৰ সময়তে ম্যানমাৰ সেনাই ভাৰতৰ সীমান্তত ১০ নৱেম্বৰত এয়াৰ ষ্ট্ৰাইক চলাইছিল। ম্যানমাৰ সেনাই ভাৰতৰ সীমান্তত বিদ্ৰোহীৰ ঘাটিত এয়াৰ ষ্ট্ৰাইক কৰাৰ পাছতে সীমান্তত অৰাজক পৰিস্থিতিয়ে বিৰাজ কৰিছিল। যাৰ ফলত ম্যানমাৰৰ নাগৰিকে উত্তৰ-পূবৰ ৰাজ্যসমূহৰ সীমান্তলৈ আহি আশ্ৰয় ল'বৰ বাবে ভাৰতত প্ৰৱেশৰ প্ৰয়াস কৰিব বুলি সন্দেহ কৰা হৈছে। জান্তা সেনাই যুঁজাৰু বিমানেৰে বিদ্ৰোহীৰ ঘাটিত আক্ৰমণ কৰাত সমগ্ৰ মিজোৰামত ব্যাপক সতৰ্কতা জাৰি কৰা হৈছিল। উল্লেখ্য যে বিগত কেবাবছৰ ধৰি অশান্ত হৈ আহিছে চুবুৰীয়া ৰাষ্ট্ৰখন।



# কোকৰাঝাৰত চাহ বাগিচাৰ নলাত উদ্ধাৰ ছাত্ৰৰ মৃতদেহ

## হত্যা বুলি দাবী পৰিয়াল-এবছুৰ, বিচাৰিছে তদন্ত

**ই-সংবাদ, কোকৰাঝাৰ, ৩০ ডিচেম্বৰঃ** এগৰাকী আইটিআইৰ ছাত্ৰক হত্যা কৰি মৃতদেহ নলাত পেলাই দিয়াৰ অভিযোগে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে বিটিআৰৰ কোকৰাঝাৰত৷ ছাত্ৰজন কোকৰাঝাৰৰ ৰূপাথী নগৰৰ ৩নং ৱাৰ্ডৰ ১৯ বছৰীয়া গেৰেমছা নাৰ্জাৰী বুলি চিনাক্ত কৰা হৈছে৷ গেৰেমছা নাৰ্জাৰী গোসাঁইগাঁও আইটিআইৰ ছাত্ৰ আছিল৷ ইতিমধ্যে কোকৰাঝাৰৰ মাগুৰমাৰী চাহবাগানৰ নলাত গেৰেমছা নাৰ্জাৰীৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰিছে৷ জানিব পৰা মতে, গেৰেমছা নাৰ্জাৰী বিগত তিনি দিন ধৰি নিৰুদ্দেশ হৈ আছিল৷ পৰিয়ালৰ লোকে বিভিন্ন ঠাইত বিচাৰ-খোচাৰ কৰিও সন্ধান উলিয়াব পৰা নাছিল৷ তাৰ মাজতে আজি স্থানীয় লোকে কোকৰাঝাৰৰ মাগুৰমাৰি চাহবাগানৰ নলাত এটা মৃতদেহ পৰি থকা প্ৰত্যক্ষ কৰি কোকৰাঝাৰ সদৰ আৰক্ষীক খবৰ দিয়ে৷ ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে৷ আৰক্ষীয়ে মৃতদেহটো কোকৰাঝাৰ চহৰৰ ৰূপাথী নগৰৰ জগদ্বীপ নাৰ্জাৰীৰ পুত্ৰ গেৰেমছা নাৰ্জাৰী বুলি চিনাক্ত কৰে৷ এয়া এক হত্যাকাণ্ড বুলি অভিযোগ উত্থাপন কৰিছে গেৰেমছা নাৰ্জাৰীৰ পৰিয়ালে৷ পেটত আৰু মূৰত আঘাতৰ চিন স্পষ্ট হৈ আছিল বুলি পৰিয়ালৰ লোকে অভিযোগ কৰি এয়া লগৰীয়াৰ দ্বাৰা সংঘটিত কৰা ঘটনাও হ'ব পাৰে বুলি সন্দেহ প্ৰকাশ কৰিছে। পৰিয়ালে দোষীক কৰায়ত্ব কৰি শাস্তি প্ৰদানৰ দাবী জনাইছে। ইপিনে নিখিল বড়ো ছাত্ৰ সন্থা চমুকৈ এবছুৰ দক্ষিণ কোকৰাঝাৰ আঞ্চলিক সমিতিয়ে এয়া হত্যাকাণ্ড বুলি উল্লেখ কৰি হত্যাকাণ্ডৰে জড়িত দোষীক ২৪ ঘণ্টাৰ ভিতৰত কৰায়ত্ব কৰিবলৈ জিলা আৰক্ষী-প্ৰশাসনক দাবী উত্থাপন কৰিছে। গেৰেমছা নাৰ্জাৰীয়ে ব্যৱহাৰ কৰা মোবাইল আৰু স্কুটি এতিয়ালৈকে আৰক্ষীয়ে উদ্ধাৰ কৰিব পৰা নাই।

## বন্যহস্তীৰ তাণ্ডৱ অব্যাহত

# খুমটাইত গৃহহাৰা ৭টা পৰিয়াল

**ই-সংবাদ, খুমটাই, ৩০ ডিচেম্বৰঃ** উজনি অসমৰ গোলাঘাট জিলাৰ খুমটাইত বনৰীয়া হাতৰ তাণ্ডৱ অব্যাহত আছে৷ দীৰ্ঘ সময় জংঘলৰ পৰা ওলাই আহি জনাঞ্চলত থিতাপি লৈ থকা হাতীৰ জাকে নগুৰ-নাকতি কৰি আহিছে কেইবাখনো গাঁৱৰ দুৰ্ভগীয়া গঞাক৷ খুমটাইৰ বিভিন্ন গাঁৱত বন্যহস্তীৰ তাণ্ডৱে চূড়ান্ত পৰ্যায় পোৱাৰ সময়তে ২৯ ডিচেম্বৰৰ নিশা পুনৰ তাণ্ডৱ চলাই হাতীৰ জাকে৷ খুমটাইৰ শাওঁতলী চাপৰি আৰু তল চাপৰিত বন্যহস্তীৰ জাকে মানুহৰ ঘৰ-দুৱাৰত আক্ৰমণ কৰে৷ ফলত ৭টা পৰিয়াল গৃহহাৰা হৈ পৰে৷ হাতীৰ আক্ৰমণত ৭টা পৰিয়ালৰ বাসগৃহ সম্পূৰ্ণৰূপে তচনচ হয় যদিও কেইবাগৰাকী লোকে কোনোমতে প্ৰাণ ৰক্ষা কৰে৷ প্ৰায় ৭০টা জনীয়া হাতীৰ জাকটোৱে জনাঞ্চলত প্ৰৱেশ কৰি সাতটা বাসগৃহ তচনচ কৰাৰ লগতে সৰিয়হ, ৰঙালাও, আলু আদি খেতি অনিষ্ট কৰে৷ পকা ঘৰৰ বেৰ ভাঙি কুইণ্টলে কুইণ্টলে ধানো ভক্ষণ কৰে৷ পুৱাই শাওঁতলী চাপৰিৰ বাসগৃহ কেইটাৰ দৃশ্য প্ৰত্যক্ষ কৰি আতংকিত হয় গঞা৷ ঘৰৰ সকলো সামগ্ৰী, আচবাব নষ্ট কৰি সপোনৰ ঘৰ কেইখন ধ্বংস কৰে বন্যহস্তীৰ জাকটোৱে। পৰিয়ালকেইটা গৃহহাৰা হৈ পৰাত ক'ত থাকিব, কি খাব তাকে লৈ দিশহাৰা হৈছে পৰিয়াল কেইটা৷ আনহাতে, হাতীৰ জাকটোৱে জনাঞ্চল অভিমুখে গমন কৰাৰ সময়তে বনবিভাগক খবৰ দিয়াৰ পিছতো গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ উত্থাপন হৈছে৷ অকৰ্মণ্য বনবিভাগৰ বাবেই অঞ্চলটোৰ ৭টা পৰিয়ালৰ বাসগৃহ সম্পূৰ্ণৰূপে ভাঙি তছনছ কৰিলে হাতীৰ জাকটোৱে৷ ৰাইজে ক্ষোভ ব্যক্ত কৰি বন বিভাগৰ বাবেই একাংশ লোকে বিনিদ্ৰ ৰজনী কটাবলগীয়া হৈছে৷

সাম্প্ৰতিক

# চুক্তিৰ পাছতে আলফাৰ জন্মস্থানত ৬০ দিনলৈ ১৪৪ ধাৰা

## অসম-নাগালেণ্ড সীমান্তত চোকা দৃষ্টি

**ই-সংবাদ, শিৱসাগৰ, ৩০ ডিচেম্বৰঃ** আজিৰে পৰা ৪৪ বছৰ পূৰ্বে আলফাৰ জন্ম হৈছিল শিৱসাগৰ জিলাৰ ঐতিহাসিক ৰংঘৰত৷ আলফাৰ উত্থান-পতনৰ ইতিহাসৰ সৈতে শিৱসাগৰ জিলা সদায়েই জড়িত হৈ আহিছে৷ ২৯ ডিচেম্বৰত আলফাৰ আলোচনাপন্থী গোটে নতুন দিল্লীত চুক্তি স্বাক্ষৰ কৰিলে৷ এই চুক্তি স্বাক্ষৰ কৰাৰ পাছতে শিৱসাগৰ জিলা আৰক্ষী সতৰ্ক হৈছে৷ আলফাৰ জন্মস্থান শিৱসাগৰ জিলাত কূটাঘাত সংঘটিত কৰাৰ আশংকা কৰা হৈছে৷ কিয়নো উজনি অসমত আলফাৰ আন এটা গোট পৰেশ বৰুৱা পন্থী আলফা সক্ৰিয় হৈ আছে৷ বিগত দিন কেইটাত বোমা বিস্ফোৰণ ঘটায় আলফাই অস্তিত্ব জাহিৰ কৰিছে৷ যাৰ ফলতে এই চুক্তিৰ বিৰোধ কৰি আলফা স্বাধীনে কূটাঘাতমূলক কাণ্ড সংঘটিত কৰিব পাৰে বুলি অনুমান কৰি শিৱসগাৰ আৰক্ষী সতৰ্ক হৈ সমগ্ৰ জিলাখনত ১৪৪ ধাৰা জাৰি কৰিছে৷ পৰৱৰ্তী ৬০ দিনলৈ ১৪৪ ধাৰা জাৰি হৈ থাকিব জিলাখনত।

আলোচনাপন্থী আলফাই ত্ৰিপাক্ষিক চুক্তি স্বাক্ষৰ কৰাৰ পাছতে শিৱসাগৰ জিলাত ১৪৪ ধাৰা জাৰি কৰা হৈছে। জিলাখনত যাতে কোনো কূটাঘাত সংঘটিত কৰিব নোৱাৰে তাৰ বাবে সতৰ্ক কৰি জিলাখনত সন্ধিয়া ৬ বজাৰ পৰা পুৱা ৬ বজালৈ ১৪৪ ধাৰা জাৰি কৰিছে প্ৰশাসনে। এই সময়ছোৱাত ৫ জন বা তাতোধিক লোক একত্ৰিত হ'ব নোৱাৰাৰ লগতে সভা, সমিতি, শোভাযাত্ৰা উলিওৱাত নিষেধাজ্ঞা জাৰি কৰা হৈছে।

অসম-নাগালেণ্ড সীমান্তত নিৰাপত্তা বৃদ্ধি কৰা হৈছে৷ আনহাতে সম-নাগালেণ্ড সীমান্তত কাঢ়া নজৰ ৰাখিছে জিলাখনৰ আৰক্ষীয়ে৷ উল্লেখ্য যে বিগত কিছুদিন ধৰি উজনি অসমৰ ভিন্ন প্ৰান্তৰ লগতে শিৱসাগৰ জিলাতো কেবাটাও বিক্ষিপ্ত ঘটনা সংঘটিত হৈ অহা পৰিলক্ষিত হৈছে।

মহানগৰ সংবাদ

# ২০০ চিটি বাছ বন্ধ কৰিবলৈ সিদ্ধান্ত চৰকাৰৰ, মালিকৰ হাহাকাৰ

**ই-সংবাদ, গুৱাহাটী, ৩০ ডিচেম্বৰঃ** ৰাজ্য চৰকাৰৰ পৰিবহন বিভাগে হঠাতে ২০০ খন যাত্ৰীবাহী বাছ বন্ধ কৰি দিয়াৰ সিদ্ধান্ত লোৱাত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে গুৱাহাটীৰ বাছ মালিকসকলে৷ গুৱাহাটী পৰিবহন সন্থাই এই সিদ্ধান্তত হতচকিত হৈ পৰিছে৷ চিটিবাছ মালিক সন্থাৰ সৈতে কোনো আলোচনা নকৰাকৈ ২০০ খন চিটিবাছৰ চলাচল বন্ধ কৰি দিয়াত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে গুৱাহাটী বাছ মালিসকলৰ সন্থাই৷ পৰিবহন বিভাগে হঠাতে এই সিদ্ধান্ত লোৱাত ঋণ লৈ সংস্থাপনৰ বাট মুকলোৱা থলুৱা যুৱকৰ হাহাকাৰ লাগিছে৷ এনেদৰে প্ৰতাৰণা কৰাত পৰিবহন বিভাগৰ বিৰুদ্ধে ক্ষুন্ন হৈছে মালিকসকল৷ এই ক্ষেত্ৰত পৰিবহন মন্ত্ৰী আৰু মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ দাবী কৰিছে সন্থাই৷ উল্লেখ্য যে, ২০১৫ চনতত ১৫ বছৰৰ পুৰণি চিটিবাছ বন্ধ কৰাৰ সিদ্ধান্ত লৈছিল পৰিবহন বিভাগে৷ কিন্তু আগতীয়া জাননী নিদিয়াকৈ ব্যক্তিগত মালিক পক্ষই চলাই অহা বাছসমূহ বন্ধ কৰি দিয়াৰ সিদ্ধান্ত লৈছে পৰিবহন বিভাগে৷ বিভাগে ২০০ খন ডিজেল চালিত চিটিবাছ বন্ধ কৰি চৰকাৰী বৈদ্যুতিক গ্ৰীণ চিটিবাছ গুৱাহাটীত চলাবলৈ সিদ্ধান্ত লৈছে৷ এনে পৰিপ্ৰেক্ষিততে এতিয়া ২০০ খন বাছ মালিকক এনেদৰে জাননী প্ৰেৰণ কৰিছে।

বিশেষ খবৰ

# ৫০ লাখ মাৰ্কিন ডলাৰ মূল্যৰ অট্টালিকাৰ ভিতৰত কন্যাসহ পতি-পত্নীৰ মৃতদেহ উদ্ধাৰ

**নিউয়ৰ্ক, ৩০ ডিচেম্বৰঃ** আমেৰিকাৰ মাছাছুচেটছ চহৰত ভাৰতীয় মূলৰ আঢ্যৱন্ত পৰিয়াল এটাৰ তিনিওগৰাকী সদস্যক তেওঁলোকৰ ঘৰত মৃত অৱস্থাত পোৱা গৈছে। ভাৰতীয় মুলৰ আমেৰিকান ব্যৱসায়ী ৰাকেশ কমল, তেওঁৰ পত্নী টিনা কমল আৰু তেওঁলোকৰ ২৮ বছৰীয়া কন্যা আৰিয়ানাক তেওঁলোকৰ ৫০ লাখ ডলাৰ মুল্যৰ অট্টালিকাৰ ভিতৰত মৃত অৱস্থাত পোৱা গৈছে যোৱা বৃহস্পতিবাৰে খৱৰ ওলাইছে। নৰফ্লক ডিষ্ট্ৰিকৰ এটৰ্ণি মাইকেল মৰিছেই এইটো এটা ঘৰুৱা হিংসাৰ ঘটনা হ'ব পাৰে বুলি সন্দেহ কৰিছে। ৰাকেশ কমলৰ মৃতদেহৰ ওচৰত এটা আগ্নেয়াস্ত্ৰও পোৱা গৈছে৷ উল্লেখযোগ্য যে এই পৰিয়ালটো শিক্ষাৰ ব্যৱসায়ৰ সৈতে জড়িত আছিল৷ তেওঁলোকে ইডনোভা নামৰ এটা শিক্ষাৰ কোম্পানী পৰিচালনা কৰি যথেষ্ঠ ধন উপাৰ্জন কৰিছিল৷ অতি আকৰ্ষণীয় কেৰিয়াৰৰ অধিকাৰী কমল দম্পত্তিটো ২০১৯ চনৰ পিচৰ পৰা ব্যৱসায়ত লোকচানৰ সন্মুখীন হ'বলৈ ধৰিলে আৰু পিচলৈ ২০২২ চনত তেওঁলোকে ব্যৱসায়টো বন্ধ কৰি বিক্ৰী কৰিবলৈ বাধ্য হৈছিল৷ ঘটনা সন্দৰ্ভত স্থানীয় প্ৰশাসনে তদন্ত আৰম্ভ কৰিছে।

শেষ পৃষ্ঠা

# বজ্ৰং পুনিয়াই জনালে অনুৰোধ

**নতুন দিল্লী, ৩০ ডিচেম্বৰঃ** পেৰিছ অলিম্পিকলৈ লক্ষ্য ৰাখি মল্লযুঁজৰ কাম-কাজ আৰম্ভ কৰিবলৈ ক্ৰীড়া মন্ত্ৰালয়ক অনুৰোধ জনাইছে বজ্ৰং পুনিয়াই। প্ৰাক্তন সভাপতি বিজেপি সাংসদ ব্ৰীজভূষণ সিং চাৰনৰ যৌন নিৰ্যাতন কেন্দ্ৰিক বিতৰ্ক আৰু সভাপতি নিৰ্বাচনক লৈ হোৱা অচল অৱস্থাৰ বাবে খেলৰ পৰিৱেশ বিনষ্ট হৈছে। উল্লেখ্য যে পেৰিছ অলিম্পিকলৈ আৰু মাত্ৰ সাত মাহ বাকী। সেয়ে ২০২১ চনৰ টকিঅ' অলিম্পিকত ব্ৰঞ্জৰ পদক বিজয়ী পুনিয়াই এনেদৰে ক্ৰীড়া মন্ত্ৰালয়ৰ ওচৰত আবেদন জনাইছে।

# এছিয়া কাপৰ বাবে ভাৰতীয় দল ঘোষণা

**মুম্বাই, ৩০ ডিচেম্বৰঃ** কাটাৰত অনুষ্ঠিত হ'বলগীয়া এ এফ চি এছিয়া কাপ ফুটবল প্ৰতিযোগিতাৰ বাবে আজি ভাৰতীয় দল ঘোষণা কৰা হয়। আঘাতৰ বাবে ডিফেণ্ডাৰ আনোৱাৰ আলী আৰু মিডফিল্ডাৰ জেকচন সিং দলৰ পৰা বাদ পৰিছে। আই এছ এলত কৰা ধাৰাবাহিক প্ৰদৰ্শনৰ বাবে দললৈ আমন্ত্ৰণ লাভ কৰিছে বিশাল কেইঠে। ইফালে আঘাতৰ বাবে দলৰ পৰা বাহিৰত থকা চাহাল আব্দুল ছামাদৰ প্ৰত্যাবৰ্তনে দলৰ শক্তি বৃদ্ধি কৰিছে। প্ৰশিক্ষক ইগৰ ষ্টিমাকৰ সমালোচনাৰ সন্মুখীন হোৱা উডাণ্টা সিঙৰ অন্তৰ্ভুক্তি আছিল আচৰ্যকৰ। সম্পূৰ্ণ দলটোঃ গলৰক্ষক- গুৰপ্ৰীত সিং ছান্ধু, আমৰিন্দৰ সিং আৰু বিশাল কেইঠ। ডিফেন্দাৰ- আকাশ মিশ্ৰ, লালচুংনুংগা, মেহতাব সিং, নিখিল পুজাৰী, প্ৰিতম কোতাল, ৰাহুল ভেকে, সন্দেশ জিংগান আৰু সুভাশিষ বসু। মিডফিল্ডাৰ- অনিৰুদ্ধ থাপা, ব্ৰেন্দন ফাৰ্নাণ্ডেজ, দীপক তাংগ্ৰী, আপুইয়া, লিষ্টন কলাকো, নাওৰেম মহেশ সিং, চাহাল আব্দুল ছামাদ, সুৰেশ সিং ৱাংজাম আৰু উডাণ্টা সিং। ফৰৱাৰ্ড- ঈশান পণ্ডিত, লাল্লিয়াঞ্জুলা চাংতে, মনভিৰ সিং, ৰাহুল কেপি, সুনীল চেত্ৰী আৰু বিক্ৰম প্ৰতাপ সিং।



# প্ৰথম প্ৰেমৰ কথা কৈ আৱেগিক হৈ পৰিল অভিনেত্ৰী জয়া বচ্চন

**মুম্বাই, ৩০ ডিচেম্বৰঃ** এদিন তাৰকা ধৰ্মেন্দ্ৰক ওচৰৰ পৰা দেখি লাজতে চোফাৰ আঁৰত লুকাইছিল মোহময়ী অভিনেত্ৰী জয়া বচ্চনে! পৰ্দাৰ এই আমোদজনক ঘটনাৰ বিষয়ে খোদ ধৰ্মেন্দ্ৰই প্ৰকাশ কৰাৰ পিছতে এতিয়া সেই ঘটনাৰ আঁত বিচাৰিবলৈ আৰম্ভ কৰিছে নেটিজেনে। দৰাচলতে শেহতীয়াকৈ মুক্তি লাভ কৰা হিন্দী বোলছবি 'ৰকী ঔৰ ৰাণী কী প্ৰেম কাহানী'ৰ মুক্তিলাভৰ পূৰ্বে ছবিখনৰ প্ৰচাৰৰ সময়ত পুৰণি দিনৰ স্মৃতি সুঁৱৰি ৰোমাঞ্চিত হৈ পৰিছিল অভিনেতা ধৰ্মেন্দ্ৰ। এই ছবিখনত একেলগে অভিনয় কৰিছে প্ৰবীণ তাৰকা ধৰ্মেন্দ্ৰ, জয়া বচ্চন আৰু শ্বাবানা আজমীৰ লগতে ৰণবীৰ সিং আৰু আলিয়া ভাট্টে। ৰকী ঔৰ ৰাণী কী প্ৰেম কাহানীৰ প্ৰচাৰৰ সময়ত ধৰ্মেন্দ্ৰই জয়া বচ্চনৰ সৈতে একেলগে অভিনয় কৰা 'গুড্ডি' ছবিৰ শুটিং স্থলীৰ এক ঘটনা মনত পেলায়। প্ৰবীণ অভিনেতাগৰাকীয়ে কয় যে যেতিয়া তেওঁ ছবিখনৰ শুটিঙৰ বাবে চেটত উপস্থিত হৈছিল, তেতিয়া তেওঁক দেখি লাজতে চোফাৰ আঁৰত লুকাইছিল জয়া বচ্চনে। ধৰ্মেন্দ্ৰই কয়, 'সেয়া মোৰ প্ৰতি জয়াজীৰ মৰম আৰু সন্মান আছিল। জয়া আৰু অমিতাভক বহু আগৰে পৰা চিনি পাওঁ। শ্বোলেৰ শুটিংৰ সময়ত আমি বহু সময় একেলগে পাৰ কৰিছিলো। ৰকী ঔৰ ৰাণী কী প্ৰেম কাহানীৰ শুটিংৰ সময়ত পুৰণি দিনৰ স্মৃতিবোৰ সতেজ হৈ উঠিছিল।'' উল্লেখ্য যে, ৰিয়েলিটী শ্ব 'কফি উইথ কৰণ'ত ভাগ লোৱাৰ সময়ত জয়া বচ্চনে ধৰ্মেন্দ্ৰৰ প্ৰতি থকা আকৰ্ষণ অকপটে স্বীকাৰ কৰিছিল। তেওঁ কৈছিল, ''প্ৰথমবাৰৰ বাবে লগ পোৱাৰ সময়ত মই বৰ অস্থিৰ হৈ চোফাৰ আঁৰত লুকাই আছিলো। ইমান ধুনীয়া মানুহজনৰ সন্মুখত কি কৰিম ভাবি পোৱা নাছিলো। মোৰ এতিয়াও মনত আছে বগা ট্ৰাউজাৰ আৰু বগা চাৰ্ট পিন্ধি তেওঁক গ্ৰীক দেৱতাৰ দৰে লাগিছিল।''

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান